সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১৪ সংখ্যা, ১৯ চ'ত , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪
RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 14 * Date Of Publication - 3 April 2022 Rs.10.00/-

## ২০২১-২২ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰৰ মাইলষ্ট'ন

ৰঙিলী বাৰ্ত্তাসেৱা- সামৰণি পৰা ২০২১-২২ বিত্তীয় বৰ্ষই এক মাইলষ্ট'ন গঢ়িবলৈ সক্ষম হ'ল। পোনপ্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰে এটা বিত্তীয় বৰ্ষত এক লাখ কোটি টকাতকৈও অধিক পুঁজি ব্যয় কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিধানসভাৰ মজিয়াত এক বিবৃতিযোগে ৰাজ্য চৰকাৰৰ এই ঐতিহাসিক সাফল্যৰ বিষয়ে সদৰী কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই তথ্যসহ বিবৃতি দাঙি ধৰি এই সদৰ্ভত কয় যে নিশা ১২ বজাত ২০২১-২২ বিত্তীয় বৰ্ষৰ সামৰণি পৰিল। বিত্তীয় বৰ্ষৰ সামৰণি পৰাটো এটা নিত্য নৈমিত্তিক ঘটনা। কিন্তু মই অতি গৌৰৱেৰে জনাব বিচাৰিছোঁ-এই বিত্তীয় বৰ্ষটোৱে অসমৰ বাবে এটা মাইলষ্ট'ন কঢ়িয়াই আনিছে। প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰে এক লাখ কোটি টকাতকৈও অধিক পুঁজি ব্যয় কৰিবলৈ সক্ষম হ'ল। ২০১৬ চনত আমাৰ চৰকাৰ আৰম্ভ হওঁতে বাৰ্ষিক ব্যয় আছিল ৪২, ০০০ কোটি টকা। কিন্তু আজি অসমে বৃহৎ ৰাজ্যসমূহৰ মান বা নামত আনুষ্ঠানিকভাবে খোজ পেলালে। যিবোৰ ৰাজ্যই বছৰি এক লাখ কোটি টকা ব্যয় কৰে, তাৰ ভিতৰত এতিয়া অসমো এখন। মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়া মতে, এই বিত্তীয় বৰ্ষটোতে পৰিবহণ বিভাগে বাৰ্ষিক ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত এহাজাৰ কোটি টকাৰ ঘৰত খোজ পেলাবলৈ সক্ষম হৈছে। সেইদৰে ক'ভিডসৃষ্ট পৰস্থিতিৰ পাছত জি এছ টি সংগ্ৰহৰ ক্ষেত্ৰতো নিজৰ ভৰিত থিয় দিবলৈ সক্ষম হৈছে অসমে। লগতে কেন্দ্ৰীয় পুঁজি লাভৰ ক্ষেত্ৰতো বিত্তীয় বৰ্ষটোৱে অসমলৈ সুখবৰ কঢ়িয়াই অনা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ২০১৫-১৬ৰ পৰা ২০১৯-২০ বিত্তীয় বৰ্ষলৈ এই সময়ছোৱা ৰাজ্যৰ বাৰ্ষিক জি এছ ডি পি বৃদ্ধিৰ পৰিমাণ ৮.৯ শতাংশ হৈছে। কিন্তু দেশৰ এই হাৰ হ'ল ৬.৭ শতাংশহে। ক'ভিডসৃষ্ট পৰিস্থিতি সত্ত্বেও অসমত ২০২০-২১ বিত্তীয় বৰ্ষত ইতিবাচকভাৱে .৯৫ শতাংশ জি এছ ডি পি বৃদ্ধি হৈছে। অনুৰূপ ধৰণে ২০২১-২২ বৰ্ষত এই হাৰ অভিলেখপূৰ্ণ ৯.১ শতাংশ হ'ব পাৰে। ৰাজ্যত প্ৰতিবছৰে ২০.৯ শতাংশ হাৰে মূলধনী ব্যয় বৃদ্ধি পোৱা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী কোটি টকাতকৈও অধিক হ'ব বুলি জানিবলৈ দিয়ে। এই সন্দৰ্ভত সদনৰ মজিয়াত তেওঁৰ বক্তব্য আছিল এনেধৰণৰ- ২০১৫-১৬ বিত্তীয় বৰ্ষত ২, ৯৫১ কোটি টকাৰ



বিপৰীতে ২০২০-২১ বিত্তীয় বৰ্ষত অসমৰ মূলধনী ব্যয়ৰ পৰিমাণ হৈছে ১৬, ৩৩৯ কোটি টকা। এই সময়ছোৱাত গড়ে ৩৬.৮ শতাংশ হাৰত মূলধনী ব্যয় বৃদ্ধি পাইছে। ২০১৫-১৬ বিত্তীয় বৰ্ষত অসমৰ ৰাজহ শিতানত ব্যয় আছিল ৩৭, ০১১ কোটি টকা। ২০২০-২১ বিত্তীয় বৰ্ষত ১৬ শতাংশ হাৰে এই ব্যয়ৰ পৰিমাণ ৭৪, ৪০০ কোটি টকালৈ বৃদ্ধি পায় যদিও মূলধনী ব্যয় আৰু ৰাজহ শিতানৰ ব্যয়ৰ মাজত আমি ভাৰসাম্য বজাই ৰাখিব পাৰিছোঁ। কেন্দ্ৰীয় কৰৰ অংশ, বিত্তীয়

( পাঁচ পৃষ্ঠাত চাওক)


## পৰীক্ষা পে চৰ্চাৰ পঞ্চম সংস্কৰণত শিক্ষাৰ্থী আৰু অভিভাৱকৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাৰ্তালাপ




ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ তালকোটোৰা ষ্টেডিয়ামত আয়োজিত পৰীক্ষা পে চৰ্চা, ২০২২ তথা পৰীক্ষা পে চৰ্চাৰ পঞ্চম সংস্কৰণত দেশৰ ভিন্ন প্ৰান্তৰ শিক্ষাৰ্থী আৰু অভিভাৱকৰ সৈতে বাৰ্তালাপ কৰে। এই বাৰ্তালাপৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীয়ে পৰীক্ষাৰ সময়ত শিক্ষাৰ্থীক শংকাময় পৰিৱেশৰ পৰা আঁতৰি থকাৰ লগতে বন্ধুক নকল নকৰি আত্মবিশ্বাসেৰে নিজে যি পাৰে, তাকে কৰিবলৈ আহ্বান জনায়। পৰীক্ষাক উৎসৱলৈ ৰূপান্তৰিত কৰি শিক্ষাৰ্থীসকলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ আহ্বান জনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে অনলাইন শিক্ষা হৈছে জ্ঞান অৰ্জনৰ মূল আধাৰিত আৰু অফলাইন হৈছে জ্ঞান আৰু ব্যৱহাৰিক অৰ্জনৰ শিক্ষা। শিক্ষাৰ্থীসকলে অনলাইনত অধ্যয়নৰ সময়ত নিজকে নিয়োগ কৰাৰ বিপৰীতে ছ'চিয়েল মিডিয়াত অধ্যয়ন অথবা প্ৰতিচ্ছবি দৰ্শন কৰি সময় কটায়। অফলাইনত যিবোৰ ঘটে, অনলাইনতো প্ৰায় একেই। ইয়াৰ অৰ্থ মাধ্যম সমস্যা নহয়। মাধ্যম গ্ৰহণযোগ্য। যদি তোমাৰ মন

( পাঁচ পৃষ্ঠাত চাওক)

## ভাৰতত নতুনকৈ ১,২৬০ জন লোক কৰ'নাত আক্ৰান্ত



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতত নতুনকৈ যোৱা ২৪ ঘণ্টাত ১,২৬০ জন লোক নতুনকৈ কৰ'নাত আক্ৰান্ত হৈছে। আৰু যোৱা ২৪ ঘণ্টাত নতুনকৈ কৰ'নাত আক্ৰান্ত হৈ ৮৩ জনলোকৰ মৃত্যু হৈছে। নতুনকৈ মৃত্যু হোৱা লোকৰ সংখ্যাৰ সৈতে ভাৰতত কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হোৱা মুঠ লোকৰ সংখ্যা ৫,২১,২৬৪ জনলৈ বৃদ্ধি পাইছে। আনহাতে সক্ৰিয় ঘটনাবোৰ ১৩, ৪৪৫ লৈ হ্ৰাস পাইছে। ভাৰতত বৰ্তমান পুনৰুদ্ধাৰৰ হাৰ ৯৮.৭৬ শতাংশ আৰু দৈনিক ইতিবাচকতাৰ হাৰ ০.২৪ শতাংশ। দেশত এতিয়ালৈকে ১৮৪.৫২ কোটিৰো অধিক ভেকছিন পালি প্ৰদান কৰা হৈছে।

# ইণ্ডিয়ান এক্সপ্রেছৰ প্ৰভাৱশালী ব্যক্তিৰ তালিকাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা স্থান লাভ



ৰঙিলী বাৰ্তাসেৱা- ইণ্ডিয়ান এক্সপ্ৰেছে প্ৰকাশ কৰা প্ৰভাৱশালী ব্যক্তিৰ ১০০জনীয়া তালিকাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৩২ সংখ্যক স্থান লাভ কৰিছে। ২০২১ বৰ্ষত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৬০সংখ্যক স্থান লাভ কৰাৰ বিপৰীতে ২০২২ বৰ্ষত ২৮টা স্থান আগুৱাই ৩২সংখ্যক স্থান লাভ কৰিছে। এই তালিকাত একেৰাহে অষ্টমবাৰৰ বাবে দেশৰ প্ৰভাৱশালী ব্যক্তিৰ শীৰ্ষস্থানত আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। শীৰ্ষ ১০ স্থানত মোদীৰ পাছত স্থান লাভ কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, আৰ এছ এছৰ মুৰব্বী মোহন ভাগৱত, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, উদ্যোগপতি ৰিলায়েঞ্চৰ স্বত্বাধিকাৰী মুকেশ আম্বানি, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগ আদিত্যনাথ, উদ্যোগপতি আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানি, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাটীৰ মুৰব্বী অৰবিন্দ কেজৰিৱাল আৰু কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। ২০২১ বৰ্ষতকৈ ২৮টা স্থান আগুৱাই ৩২সংখ্যক স্থান লাভ কৰা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্তৰ-পূৰ্বৰ বিজেপিৰ মুখ্যমন্ত্ৰীসকলৰ ভিতৰত সবাতোকৈ প্ৰভাৱশালী। ৰাজনৈতিক ক্ষেত্ৰখনত চাণক্য হিচাপে পৰিচিত ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰশাসনৰ ধাৰণাক বিশ্বাসেৰে চলাইছে আৰু চৰকাৰ চলোৱাত দক্ষতা প্ৰকাশ কৰিছে। উত্তৰ-পূৰ্বৰ অতি দক্ষ তথা বিজেপিৰ সংকটমোচক হিচাপে ড° হিমন্ত বিশ্ব শৰ্মাই 'কা'ৰ পাছত অসমত সৃষ্ট পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ গতে মণিপুৰৰ ৰাজনৈতিক সংকটো সমাধান কৰিছিল। অসম আৰু মিজোৰামৰ আৰক্ষীৰ মাজত সীমান্তত চলা ৰক্তাক্ত আৰু হিংসাত্মক সংঘৰ্ষক ড° শৰ্মাই

( তিনিপৃষ্ঠাত চাওক)

# নিত্যাব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ এছইউচিআইৰ




ৰঙিলী বাৰ্তাসেৱা- বিজেপি পৰিচালিত ৰাজ্য চৰকাৰে অন্যায় আৰু অযৌক্তিকভাৱে পুনৰ বিদ্যুতৰ মাচুল ইউনিট প্ৰতি ৫৯ পইচাকৈ বৃদ্ধি কৰা আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰতি লিটাৰ পে'ট্ৰলৰ ৮৪ পইচা, ডিজেলৰ ৮৩ পইচা আৰু চিলেণ্ডাৰ প্ৰতি ৫০ টকাকৈ বৃদ্ধি কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে এছ ইউ চি আই (কমিউনিষ্ট) দলৰ অসম ৰাজ্যিক কমিটীৰ আহ্বানত ৰাজ্যজুৰি প্ৰতিবাদ কাৰ্যসূচী পালন কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ উলুবাৰীত বিক্ষোভ কাৰ্যসূচী সংগঠিত হয়। মূল্যবৃদ্ধি ৰোধ কৰক, বিদ্যুত মাচুল বৃদ্ধি কৰা নচলিব, চৰকাৰৰ সকলো ব্যৰ্থতা জনসাধাৰণৰ কান্ধত জাপি দিয়া নচলিব, ৰন্ধন গেছৰ মূল্যবৃদ্ধি কাৰ স্বাৰ্থত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ জবাব দিয়া, অন্যায় আৰু অযৌক্তিক পেট্ৰোল-ডিজেলৰ মূল্যবৃদ্ধি বন্ধ কৰক দাবী সম্বলিত প্লেকাৰ্ড হাতে হাতে লৈ দলৰ অৰ্ধ শতাধিক কৰ্মী-সমৰ্থকসকলে দলৰ উলুবাৰীস্থ ৰাজ্যিক কাৰ্যালয়ৰ পৰা শোভাযাত্ৰা কৰি উলুবাৰীৰ ভলভ' প'ইণ্টৰ ওচৰত জি এছ ৰোডত বিক্ষোভ কাৰ্যসূচী সংগঠিত কৰে। সংগঠিত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা দলৰ কৰ্মী- সমৰ্থকসকলে পে'ট্ৰল-ডিজেল, ৰন্ধন গেছৰ মূল্যবৃদ্ধি

( তিনিপৃষ্ঠাত চাওক)

# কাজিৰঙাক বিশ্ব দৰবাৰত তুলি ধৰাৰ এক অভিনৱ প্ৰচেষ্টা য়ানা বেডনাৰোভাৰ



ৰঙিলী বাৰ্তাসেৱা- প্ৰফেছনেল শ্লোভাকিয়ান আৰ্টিষ্ট য়ানা বেডনাৰোভাৰ যেন আজি বহুদিনীয়া সপোন পূৰণ হ'ল। তাৰ বাবে তেওঁ এক গৌৰব অনুভৱ কৰিছে। বেডনাৰোভা অসমৰে বোৱাৰী হোৱা হেতুকে কাজিৰঙাক বিশ্ব দৰবাৰত তুলি ধৰাৰ এক প্ৰচেষ্টা হাতত লৈছে। সেই উদ্দেশ্য তেওঁ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্য প্ৰকৃতিৰ ছবিবোৰ তুলিকাৰে ধৰি ৰাখিবলৈ 'প্লেইন এয়াৰ কাজিৰঙা' শীৰ্ষক প্ৰকল্প হাতত লৈছে। এই প্ৰকল্পটোৰ মুখ্য লক্ষ্য হ'ল সাধাৰণ পৰ্যটকৰ দৃষ্টিৰ পৰা আঁতৰি থকা অভয়াৰণ্যৰ ছবিবোৰ বিশ্ববাসীৰ সমুখলৈ উলিয়াই অনা। এই প্ৰজেক্টটো ছোভাৰ আৰ্ট কাউন্সিলৰ আৰ্থিক সাহায্যত পিকাছো পিউপিল এন আৰ্ট ছ'চাইটীয়ে পৰিচালনা কৰাৰ লগতে অসম পৰ্যটন উন্নয়ন বিভাগে প্ৰজেক্টটোত সহায় কৰিছে। য়ানা বেডনাৰোভাই যোৱা ১৪ দিন ধৰি কাজিৰঙাত থাকি, কাজিৰঙাৰ অভ্যন্তৰৰ বিভিন্ন অঞ্চলৰ ছবিবোৰ অংকন কৰিছে। ছবিসমূহৰ অংকনৰ মাধ্যম হৈছে হাতেবোৱা এৰি সূতা, টচ মুগা, মুগা আৰু হাতে বনোৱা পেপাৰ। এই সমূহ পৰম্পৰাগত প্ৰাকৃতিক সম্পদ, যিয়ে চিত্ৰাংকনৰ ক্ষেত্ৰখনত মাধ্যম হিচাপে ব্যৱহাৰৰ বাবে এটা নতুন দিশৰ আলোকপাত কৰিছে। ৰঙৰ মাধ্যম হিচাপে শিল্পীগৰাকীয়ে হেঙুল হাইতাল ব্যৱহাৰ কৰিছে, যিটো বিশ্বৰ চিত্ৰকলাৰ জগতখনতেই বিৰল। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ললিত কলা ভৱনৰ সভা কক্ষত আয়োজিত এক অনুষ্ঠানত য়ানা বেডনাৰোভা আৰু অলকেশ দত্তই কয়- কাজিৰঙাত তেওঁলোকে কৰা শিল্পকৰ্মক ইউৰোপত বিভিন্ন দেশলৈ কঢ়িয়াই লৈ যোৱা হ'ব। কাজিৰঙাক পৰ্যটকৰ সমুখত তুলি ধৰাৰ উপৰিও এড়ি, পাট-মুগাৰ কাপোৰ আৰু হেঙুল-হাইতালৰ

( তিনিপৃষ্ঠাত চাওক)

# লোকসভা- বিধানসভাৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ দাবী



ৰঙিলী বাৰ্তাসেৱা- দেশৰ অন্যান্য ৰাজ্যৰ দৰে অসমতো লোকসভা আৰু বিধানসভা সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি আগন্তুক নিৰ্বাচনৰ সময়ৰ পৰা কাৰ্যকৰী কৰিবলৈ দাবী জনাইছে দেউৰী জনজাতি ষষ্ঠ অনুসূচী দাবী সমিতিয়ে। এক প্ৰেছ বিবৃতি যোগে সমিতিৰ প্ৰচাৰ সম্পাদক এল এন দেউৰীয়ে কয়-কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ ৰঞ্জনা প্ৰকাশ দেশাইৰ অধ্যক্ষতাত অসম আৰু উত্তৰ পূৰ্বৰ চাৰি ৰাজ্য, জম্মু কাশ্মীৰৰ বাবে সমষ্টি পুনৰ নিৰ্ধাৰণৰ কাৰণে এখন উচ্চস্তৰীয় সমিতি গঠন কৰি দিছিল। এই সমিতিয়ে অধ্যয়ন কৰি ইতিমধ্যে চৰকাৰক প্ৰতিবেদন দাখিল কৰা বুলি প্ৰকাশ পাইছে। গতিকে লোকসভাৰ চলিত অধিবেশন আৰু অসম বিধানসভাৰ চলিত অধিৱেশনৰ কাৰ্যসূচীৰ মাজতে সমষ্টি পুনৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। লগতে উক্ত সমিতিৰ প্ৰতিবেদন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত সকলো ৰাজনৈতিক দলে অধিৱেশনৰ মজিয়াত সৰ্বসন্মতভাৱে প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ আহ্বান জনালোঁ।

# বিজেপিৰ পবিত্ৰ গগৈ মাৰ্ঘেৰিটা আৰু ইউ পি পি এলৰ ৰণগৌৰা নাৰ্জাৰী ৰাজ্যসভালৈ নিৰ্বাচিত

ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিজেপি আৰু মিত্ৰজোঁটে দাবী কৰি অহাৰ দৰে কংগ্ৰেছৰ একাংশ বিধায়কৰ সমৰ্থন আৰু সহযোগিতাত ‘বিবেক ভোট’ত ৰাজ্যসভালৈ নিৰ্বাচিত হ’ল বিজেপিৰ পবিত্ৰ গগৈ মাৰ্ঘেৰিটা আৰু ইউ পি পি এলৰ ৰণগৌৰা নাৰ্জাৰী। নিশা ভোটগণনাৰ অন্তত পবিত্ৰ মাৰ্ঘেৰিটাই ৪৬টা ভোট লাভ কৰে। সেইদৰে ৰণগৌৰা নাৰ্জাৰীয়ে ৪৪টা ভোট লাভ কৰি বিজয়ী হয়। ইয়াৰ বিপৰীতে বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী কংগ্ৰেছৰ ৰিপুণ বৰাই ৩৫টা ভোটহে লাভ কৰিবলৈ সক্ষম হয়। এই নিৰ্বাচনত ১টা ভোট বাতিল হয়। বাতিল হোৱা ভোটটো কংগ্ৰেছৰ ছিদ্দিক আহমেদৰ বুলি জানিব পৰা গৈছে। মন কৰিবলগীয়া এয়ে যে বিধানসভাত বিৰোধীৰ শক্তি অনুসৰি ৰিপুণ বৰাৰ পক্ষত ৪৩টা ভোট আছিল। সেই অনুসৰি ৰিপুণ বৰাৰ জয়লাভৰ সম্ভাৱনা আছিল যদিও ক্ৰছ ভোটিং তথা ভোট ভুল হোৱা বাবে ৰিপুণ বৰাই ৩৫টা ভোটহে লাভ কৰে এই নিৰ্বাচনী ফলাফলৰ লগে লগে ৰাজ্যসভাত অসমৰ পৰা কংগ্ৰেছৰ প্ৰতিনিধিত্ব শূন্য হৈ পৰিল। দুপৰীয়াৰ ভাগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৯-১০টা ভোটৰ ব্যৱধানত বিজেপি আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হোৱাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰিছিল। তেওঁ আনকি বিৰোধীৰ পৰা ৭ টা ভোট মিত্ৰজোঁটে লাভ কৰাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি কয় যে মন্ত্ৰী পীযুষ হাজৰিকা আৰু বিধায়ক দিগন্ত কলিতাই জনোৱা অনুসৰি তেওঁ এই কথা কৈছে।নিশা ভোটগণনাৰ অন্তত দেখা গ’ল- শাসকপক্ষই বিৰোধী শিবিৰৰ পৰা ৭টা ভোট লাভ কৰিছে। ইপিনে নিৰ্বাচনী ফলাফল প্ৰকাশৰ পাছতেই বিজেপিৰ নিৰ্বাচনী এজেণ্ট তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই সংবাদ মাধ্যমৰ আগত কয় যে বিজেপিৰ পবিত্ৰ মাৰ্ঘেৰিটাই ৪৬টা, ইউ পি পি এলৰ ৰণগৌৰা নাৰ্জাৰীয়ে ৪৪টা ভোট লাভ কৰি জয়ী হয়। ইয়াৰ বিপৰীতে নিপুণ



বৰাই ৩৫টা ভোট লাভ কৰি পৰাজিত হয়। ৰিপুণ বৰাই প্ৰথম অৱস্থাত ৩৪টা ভোট লাভ কৰিছিল। এটা ভোট বিবদমান অৱস্থাত আছিল। অৱশ্যে পাছত নিৰ্বাচন আয়োগে সেই ভোটটো বৈধ বুলি ঘোষণা কৰে আৰু মিত্ৰজোটেও এইক্ষেত্ৰত সহমত প্ৰকাশ কৰাত ৰিপুণ বৰাৰ ভোটৰ সংখ্যা ৩৫টালৈ বৃদ্ধি হয়। আজিৰ এই নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে বিৰোধীৰ পৰা ৭টা ভোট লাভ কৰিবলৈ সক্ষম হয়।

## ইণ্ডিয়ান এক্সপ্ৰেছৰ

দক্ষতাৰে নিয়ন্ত্ৰণ কৰিছিল। সম্প্ৰতি অসম মেঘালয়ৰ মাজত চলি থকা সীমা বিবাদ সমাধানৰ চেষ্টা চলাই আছে। পৰৱৰ্তী বৰ্ষৰ প্ৰাৰম্ভতে অনুষ্ঠিত হ’বলগীয়া ত্ৰিপুৰা, মেঘালয় আৰু নাগালেণ্ডৰ বিধানসভা নিৰ্বাচনত ড° শৰ্মা অতি গুৰুত্বপূৰ্ণ হিচাপে চৰ্চিত হৈ আছে। দলৰ শীৰ্ষ নেতাই বিচৰাৰ দৰে ড° শৰ্মাই নিৰ্বাচনী প্ৰক্ৰিয়া আগবঢ়াই নিব পাৰে ।উল্লেখ্য যে কংগ্ৰেছৰ যুৱৰাজ হিচাপে পৰিচিত ৰাহুল গান্ধীতকৈ প্ৰভাৱশালী ড° হিমন্ত বিশ্ব শৰ্মা। ১০০জনীয়া তালিকাত ড° হিমন্ত বিশ্ব শৰ্মাই চসংখ্যক স্থান লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ যুৱৰাজে ৫ৰ সংখ্যক স্থান লাভ কৰিছে। তালিকাত ৰাজনীতিৰ পৰা উদ্যোগলৈ, ক্ৰীড়াৰ পৰা সাংস্কৃতিক জগতলৈকে বিভিন্নজনে স্থান লাভ কৰিছে।

## নিত্যাব্যৱহাৰ্য সামগ্ৰীৰ

তথা বিদ্যুতৰ মাছুল বৃদ্ধিৰ বিৰুদ্ধে বলিষ্ঠ শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীত বক্তব্য প্ৰদান কৰে দলৰ ৰাজ্যিক কমিটীৰ সদস্য আব্দুচ চবুৰে । তেওঁ কয়-কৰ্পোৰেট গোষ্ঠীয়ে যাতে অধিক মুনাফা অৰ্জন কৰিব পাৰে তাৰেই সুবিধা কৰি দিয়া সিদ্ধান্তৰ ফলত প্ৰতিটো বয়-বস্তু মূল্য বৃদ্ধি ।অথচ চৰকাৰৰ প্ৰয়োজন আছিল জনসাধাৰণক মুল্যবৃদ্ধিৰ পৰা কেনেকৈ সকা দিয়া যায় তাৰ পৰিকল্পনা কৰা। দেখা পোৱা গৈছে এইজ্ব লন্ত সমস্যা সমূহৰ সমাধানৰ বাবে কোনো ধৰণৰ পৰিকল্পনা নকৰি বিজেপি পৰিচালিত চৰকাৰখনে চুড়ান্ত সাম্প্ৰদায়িক চিন্তাক বিয়পাই দি জনসাধাৰণৰ ঐক্যক বিনষ্ট কৰি গণতান্ত্ৰিক চেতনাৰ ভিত্তিত ঐক্যবদ্ধ গণ আন্দোলন যাতে সংগঠিত নহয় তাৰেই পৰিকল্পনাত লিপ্ত। লগতে কয় যে মূল্যবৃদ্ধিৰ দৰে জ্বলন্ত সমস্যা সমূহৰ বিৰুদ্ধে সকলো ৰাইজক ওলাই আহিবলৈ আহ্বান জনায় ।ইয়াৰ পাছত বিক্ষোভকাৰী সকলে শোভাযাত্ৰা কৰি উলুবাৰী চাৰি আলি হৈ আহি ৰাজ্যিক কাৰ্যালয়ৰ সন্মুখত কাৰ্যসূচী শেষ কৰে ।দলৰ গোৱালপাৰা, ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, লখিমপুৰ, দৰং, ওদালগুৰি, নলবাৰী, মঙ্গলদৈ, শোণিতপুৰ, কাছাৰ, কৰিমগঞ্জ আদি ৰাজ্যৰ বিভিন্ন জিলাসমূহতো দলৰ পক্ষৰ পৰা বিক্ষোভ কাৰ্যসূচী সংগঠিত কৰা হয়।

## কাজিৰঙাক বিশ্ব

দৰে চিত্ৰকলাৰ মাধ্যমক বিশ্ববাসীৰ আগত জনপ্ৰিয় কৰাটোৱেই এই প্ৰকল্পৰ মুখ্য উদ্দেশ্য। উল্লেখ্য, ইতিমধ্যে মেঘালয় চৰকাৰৰ আমন্ত্ৰণত এওঁলোকে মেঘালয় পৰ্যটনক বিশ্বদৰবাৰত তুলি ধৰাৰ বাবে যোৱা এবছৰ ধৰি কাম কৰি আহিছে। য়ানা বেডনাৰোভা অসমৰে বোৱাৰী। যোৱাবছৰ গোৱালপাৰা নিবাসী অলকেশ দত্তৰ লগত বিবাশপাশত আবদ্ধ হয়। অনুষ্ঠানৰ শেষত শিল্পীগৰাকীয়ে চিত্ৰশিল্পীৰ সৈতে মত বিনিময় কৰে।

# ছিৰাজুদ্দিন-বদৰুদ্দিনৰ প্ৰতিকৃতি দাহ, ক্ষমা খোজাৰ দাবী

ৰঙিলী বাৰ্তাসেৱা- অসমীয়া ভাষাক অপমান কৰা এ আই ইউ ডি এফ দলৰ বিধায়ক ছিৰাজুদ্দিন আজমল আৰু দলটোৰ সভাপতি বদৰুদ্দিন আজমলৰ প্ৰতিকৃতি দাহ কৰি অসম জাতীয় পৰিষদ দলে আজমল বাহিনীৰ সাম্প্ৰদায়িক আৰু অসমীয়া বিদ্বেষী ৰাজনীতিৰ তীব্ৰ প্ৰতিবাদ কৰে। গুৱাহাটীৰ জু ৰোডস্থিত অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সন্মুখত আজি বিয়লি শতাধিক দলীয় কৰ্মী সমবেত হৈ ‘বদৰুদ্দিন আজমল মুৰ্দাবাদ’, ‘ছিৰাজুদ্দিন আজমল মুৰ্দাবাদ’, ‘অসমত সাম্প্ৰদায়িক ৰাজনীতি নচলিব’, ‘অসমত অসমীয়া বিদ্বেষ নচলিব’, ‘অসমত অসমীয়া ভাষা কবই লাগিব’,‘এ আই ইউ ডি এফ বিজেপিৰ দালাল’ আদি শ্লোগান দিয়ে। ৰাজ্যসভা নিৰ্বাচনত বিজেপি প্ৰাৰ্থীৰ পক্ষ্যত ভোট দিয়া এ আই ইউ ডি এফ দলৰ সভাপতি বদৰুদ্দিন আজমল আৰু তেওঁৰ ভাতৃ তথা বিধায়ক ছিৰাজুদ্দিন আজমলৰ প্ৰতিকৃতি দাহ কৰি জাতীয় পৰিষদৰ প্ৰতিবাদকাৰীসকলে পৰিস্থিতি উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীত দলৰ মুখপাত্ৰ জিয়াউৰ ৰহমানে কয়, ‘বদৰুদ্দিন আজমল ডাঙৰীয়াৰ ভাতৃ তথা বিধায়ক ছিৰাজুদ্দিন আজমল ডাঙৰীয়াই আজি দুপৰীয়া অসম বিধানসভাৰ বাহিৰত



সাংবাদিকসকলৰ আগত অসমীয়া ভাষাত কথা কবলৈ অস্বীকাৰ কৰে। তেওঁ কয় যে তেওঁ ইণ্টাৰনেচনেল মানুহ, গতিকে তেওঁ ইণ্টাৰনেচনেল ভাষাত কথা কব। ইণ্টাৰনেচনেল মানুহৰ অসমত কি কাম? তেওঁ ইণ্টাৰনেচনেল ভাষাত কথা কওক, তাত আপত্তি কৰিবলগীয়া নাই। কিন্তু তেওঁ অসমীয়া ভাষা কেইজনে জানে বুলি কিয় কব। তেওঁ নিজেই দেখোন লোকপিয়লত নিজৰ মাতৃভাষা অসমীয়া বুলি লিখায়। তেওঁৰ ভাতৃ বদৰুদ্দিন আজমলে নিজকে এজন শ্ৰেষ্ঠ অসমীয়া বুলি দাবী কৰে, ডিঙিত গামোচা লৈ ফুৰে। গতিকে অসমীয়াত কথা নকওঁ আৰু অসমীয়া কেইজনে কয় বুলি কৈ ছিৰাজুদ্দিন আজমল নিজৰ মন-মানসিকতাৰ আচল স্বৰূপ উদঙাই দিলে। উক্ত বক্তব্যৰে তেওঁ অসমীয়া ভাষা আৰু জাতিক অপমান কৰিলে। এনে কাৰ্য সহ্য কৰা নহ’ব।’ বদৰুদ্দিন আজমল নেতৃত্বাধীন এ আই ইউ ডি এফ দলটোৰ বিজেপিৰ সৈতে থকা গোপন বুজাবুজি কালি ৰাজ্যসভাৰ নিৰ্বাচনত এ আই ইউ ডি এফ বিধায়কে বিজেপি প্ৰাৰ্থীক ভোট দিয়াৰ জৰিয়তে উন্মোচিত হ’ল বুলি মত প্ৰকাশ কৰি ৰহমানে কয় যে বিজেপিৰ ’এক দেশ এক ধৰ্ম এক ভাষা’ নীতিৰ অংশ স্বৰূপে বিজেপিয়ে অসমীয়া ভাষাক হত্যা কৰাৰ হকে কাম কৰি থকাৰ ষড়যন্ত্ৰ ইতিমধ্যেই ফাদিল হৈছে। বদৰুদ্দিন আজমলৰ ভাতৃ ছিৰাজুদ্দিন আজমলৰ উক্ত অসমীয়া-বিদ্বেষী বক্তব্য বিজেপিৰ ষড়যন্ত্ৰৰে অংশবিশেষ বুলি ৰহমানে মত প্ৰকাশ কৰে। ছিৰাজুদ্দিন আজমলে অসমীয়া ভাষা আৰু জাতিক অপমান কৰা কাৰ্যৰ বাবে অসমীয়া জাতিৰ ওচৰত ৰাজহুৱা ক্ষমা খোজাৰো দাবী উত্থাপন কৰে জাতীয় পৰিষদৰ মুখপাত্ৰগৰাকীয়ে।

# তেজত ইউৰিক এচিড বৃদ্ধি (গাউট)

ডাঃ বিজিতা চুতীয়া
আয়ুৰ্বেদিক বিশেষজ্ঞা




আপোনাৰ বাওঁ ভৰিৰ বুঢ়া আঙুলিত হঠাতে বিষ অনুভৱ হৈছে নেকি? ইয়াৰ উপৰি বিষ হোৱা স্থানত যদি ৰঙা পৰিছে বা গৰম হৈছে তেন্তে সাৱধান হোৱা উচিত।

এয়া 'গাউট' নামৰ একপ্ৰকাৰ আথ্ৰাইটিছ অৰ্থাৎ গাঁঠিৰ ৰোগ য'ত গাঁঠিৰ বিষ হোৱাৰ লগতে গাঁঠি ফুলি উঠে। তেজত ইউৰিক এচিড বাঢ়ি গৈ তাৰ দানাবোৰ ভৰি বা হাতৰ গাঁঠিবোৰত জমা হৈ বিষ কৰা অৱস্থাটোকে 'গাউট' নামেৰে জনা যায়। শকত মানুহৰ এই ৰোগ বেছিকৈ হয়।

আয়ুৰ্বেদত 'গাউট'ক 'বাতৰক্ত' নামেৰে জনা যায়। ইয়াক বাতশোণিত, আঢ্যবাত, বাতবলাস, খুডবাত আদি নামেৰেও জনা যায়।

তেজত ইউৰিক এচিড বৃদ্ধিৰ কাৰণসমূহ :

১) অত্যধিক প্ৰ'টিনযুক্ত আহাৰ গ্ৰহণ কৰা

২) মদ, মাংস আদিৰ অত্যধিক সেৱন

৩)অসন্তুলিত আহাৰ-বিহাৰ

৪) ব্যায়াম আৰু পৰিশ্ৰমৰ অভাৱ

৫) মেদবহুলতা

৬) অত্যধিক শোক, চিন্তা, খং, উদ্বেগ ইত্যাদি মানসিক কাৰণ

৭)অত্যধিক তীক্ষ্ণ, মচলাযুক্ত, টেঙাজাতীয় খাদ্য সেৱন

৮) কেতিয়াবা কিডনীৰ সমস্যাৰ বাবে কিডনীয়ে বাহিৰলৈ উলিয়াই দিব লগা ইউৰিক এচিড উলিয়াই দিবলৈ অক্ষম হয়। ফলত শৰীৰত ইউৰিক এচিডৰ পৰিমাণ বৃদ্ধি পায়।

ইউৰিক এচিড বৃদ্ধিৰ লক্ষণসমূহঃ

১) হঠাতে গাঁঠিবোৰত বিষৰ আৰম্ভ হোৱা

২) গাঁঠি ফুলি উঠা

৩)আক্ৰান্ত স্থানত গৰম অনুভৱ

৪) আক্ৰান্ত স্থান ৰঙা পৰা

৫) আক্ৰান্ত স্থানত স্পৰ্শ কৰিলে অত্যধিক বিষ হোৱা

৬) জ্বৰ উঠা ইত্যাদি

কেনেকৈ আমাৰ শৰীৰত ইউৰিত এচিড বৃদ্ধি পায় :

অত্যধিক প্ৰ'টিনযুক্ত খাদ্য যেনে-

(আঠপৃষ্ঠাত চাওক)

# কৃতজ্ঞতা

ময়ুৰাক্ষী গগৈ




ৰঙিলী বাৰ্তা!
সুপ্ত প্ৰতিভা বিকাশৰ মাধ্যম।
কৃতজ্ঞতা জনাইছোঁ
ৰঙিলী বাৰ্ত্তাৰ মুখ্য সম্পাদক
শ্ৰদ্ধাৰ উদ্দীপ্ত নয়ন মেধি চাৰলৈ।
ন-লেখাৰুৰ লেখনী প্ৰকাশ কৰি
যি উৎসাহ দিছে,
তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি।
কৃতজ্ঞতা জনাইছোঁ
বন্দিতা শৰ্মা বাইদেউলৈ
যি গৰাকীয়ে ৰঙিলী বাৰ্ত্তাৰ
সৈতে সংযোগ কৰাই দিলে।
কৃতজ্ঞতা জনাইছোঁ
ৰঙিলী বাৰ্ত্তাৰ সমূহ সদস্যলৈ
যিসকলে দিন-ৰাতি একাকাৰ কৰি
পঢ়ুৱৈ সমাজলৈ কাকত খন প্ৰস্তুত কৰি উলিয়ায়।
কৃতজ্ঞতা জনাইছোঁ
সেই সকল পাঠকলৈ
যিয়ে নিজৰ বহুমূলীয়া সময় খৰচ কৰি
লিখনী সমূহত চকু ফুৰাই
উৎসাহিত কৰিছে।

# শাৰীৰিক আকৰ্ষণ প্ৰেম হ'ব নোৱাৰে

প্ৰস্তুতি শৰ্মা,
গোলাঘাট বাণিজ্য মহাবিদ্যালয়



প্ৰেম হৃদয়ৰ নিৰ্ভৃতকোণত জন্ম হোৱা স্বতঃস্ফুত অনুভুতি । য'ত অন্তৰ্নিহিত হৈ থাকে মৰম-স্নেহ তথা শ্ৰদ্ধাৰ ভাৱ। শাৰীৰিক আকৰ্ষণ কেতিয়াও প্ৰেম হ'ব নোৱাৰে। ই অৱচেনত মনৰ প্ৰতিক্ৰিয়াহে মাথোঁ। যি এসময়ত প্ৰতিক্ৰিয়াহীন আৰু অৰ্থহীন হৈ পৰে।


আমি শিশু অৱস্থাৰ পৰাই প্ৰেমত পৰোঁ। শিশু প্ৰেম তেওঁ মাতৃ। মাতৃৰ অকৃতিম স্নেহ মুগ্ধ শিশুৱে সেই সময়ত মাকৰ বাহিৰে আন একোৰে চিনি নেপায়। লাহে লাহে শিশু এটি প্ৰাপ্তবয়স্ক হৈ আহে যদিও শিশু কালতে পোৱা মৰমৰ মূল তেওঁ আজীৱন পাহৰিব নোৱাৰে। ঠিক সেই দৰে বজা হৈ অহাৰ পৰা দেউতা, বাই-ভনী, দাদা-ভাইটি, ককা-আইতাকে আদি কৰি পৰিয়ালৰ আন আন লোক সকলৰো আমি প্ৰেমত পৰোঁ। ইয়াৰ উপৰি বন্ধুবৰ্গৰ প্ৰতি আমাৰ যি স্নেহ ভাৱ সিও এক প্ৰকাৰৰ প্ৰেমেই বুলি ক'ব পাৰি।

কেতিয়াবা প্ৰকৃতিৰ কিছুমান বস্তুৱে আমাৰ দৃষ্টি আকৰ্ষণ কৰে আৰু আমি ক্ষন্তেক সময়ৰ বাবে মন্ত্ৰ মুগ্ধ হৈ পৰোঁ। ইয়ো প্ৰকৃতাৰ্থত এক প্ৰকাৰৰ প্ৰেমেই নহয় জানো। কিন্তু ইয়াত ভাল লগাৰ বাহিৰে অন্য কিবা অনুভূতি জাগেনে ? নিশ্চয় নেজাগে। এতিয়া আহোঁ মই ক'ব খোজা প্ৰকৃত কথাটোলৈ। সাধাৰণতে দেখা যায় যে সাম্প্ৰতিক সময়ত সময়ৰ অগ্ৰগতিত প্ৰেমৰ সংজ্ঞা সলনি হৈছে। উভয় লিঙ্গৰ মাজৰ যি পাৰস্পৰিক আকৰ্ষণ তাক আমি প্ৰেম আখ্যা দিওঁ। প্ৰকৃতাৰ্থত সি প্ৰেমনে? দৈনন্দিন জীৱনত ৰাস্তাই ঘাটে, বজাৰে সমাৰে, চিনেমা ঘৰে বাহিৰে, পাৰ্কত, স্কুল কলেজত, বিশ্ব বিদ্যালয়ত, সভা সমিতি ইত্যাদিত আমি লগ পোৱা বহুতো লোকৰ প্ৰতি আমাৰ আকৰ্ষণ জাগিব পাৰে অৰ্থাৎ আমাৰ কাৰোবাক অলপ সময়ৰ বাবে ভাল লাগিব পাৰে। সি বাৰু প্ৰেম হ'ব পাৰেনে ? অৱশ্যে এক প্ৰকাৰে সিও প্ৰেম যদিও ই আমি আলোচনা কৰিব বিচৰা প্ৰেম নহয়। আমি আলোচনা কৰিব বিচাৰো আজীৱন জীৱন সংঙ্গীনি বা যাক লৈ ভৱিষ্যতৰ সপোন ৰচো সেই প্ৰেম। ইয়াক অন্য কথাত ভালপোৱা বুলিও ক'ব পাৰি। কোৱা হয় প্ৰথম প্ৰেমৰ মাদকতাক আজীৱন পাহৰিব নোৱাৰি। তেন্তে ই কেনে প্ৰেম ? এই প্ৰেমেই হৈছে স্বৰ্গীয় অনুভূতি। যি হঠাৎ কোনো স্থানত হৃদয়ত উৎপন্ন হৈ আজীৱন থাকি যায়। তেন্তে প্ৰেম মানে দৈহিক সম্পৰ্ক কেনেকৈ হ'ল ? যাৰ বাবে আজি

(আঠপৃষ্ঠাত চাওক)

# ভেকুলী

মঞ্জুষা শৰ্মা



নিকি আৰু নিধিৰ আজি যে আনন্দৰ সীমা নাহ। বাটলৈ চাই চাই নিধিৰ এনে লাগিছে যেন ঘড়ীৰ কাঁটা কেইডাল একে ঠাইতে ৰৈহে আছে। মিনিটে মিনিটে ফোন। ক'ত পালাহি, কেতিয়া পাবাহি ইত্যাদি ইত্যাদি। সকলো উৎকণ্ঠা অন্ত পেলাই বেলি লহিয়াৰ আগে আগে নিকিহঁত আহি মোমায়েকৰ ঘৰ পালেহি। হাত - মুখ ধুই সাজ - পাৰ সলাই খাই বৈ দুয়ো ককাকৰ ওচৰলৈ গ'ল কথা পাতিব আৰু লুডু খেলিব। কিন্তু হঠাত নিকি ৰৈ গ'ল আৰু ইফালে সিফালে চাবলৈ ধৰিলে। তাকে দেখি ককাকে সুধিলে নিকি তোমাৰ কি হ'ল ? ভয় লাগিছে নেকি ?? চাওঁ তুমি মোৰ ওচৰলৈ আহাচোন আৰু কি হৈছে কোৱাচোন। ককাকৰ মাতত নিকিয়ে সাহস পোৱাৰ দৰে হৈ ক'লে -- সেইবোৰ নো কি ? কিহৰ শব্দ সেইবোৰ কোৱাচোন ? ককাকৰ খুব হাঁহি উঠিছিল যদিও নিকিৰ অৱস্থাটো দেখি তেওঁৰ তালৈ বেয়া হে লাগিল। কাৰণ সি যে সেইবোৰ কিহৰ শব্দ তাক চিনি বা বুজিও পোৱা নাহ। আজি এই যান্ত্ৰিকতাৰ যুগত প্ৰকৃতিৰ যি মনোমোহা ৰূপ সি যেন ক'ৰবাত হেৰাইহে গ'ল। তাৰ ঠাইত কৃত্ৰিমতাই চাৰিওফালে আগুৰি পেলালে। সেয়েহে অতীতৰ জীৱ - জন্তু, চৰাই - চিৰিকটি, কীট - পতঙ্গৰ বিভিন্ন ধৰণৰ মাতবোৰ আজিৰ দিনত প্ৰায় লুপ্ত হৈ যাবলৈ ধৰিছে বা উঠি অহা নৱ প্ৰজন্মৰ বাবে এইবোৰ এক আচহুৱা শব্দলৈ পৰিণত হৈছে। নিকিয়ে পুনৰ ককাকক কোৱা আকৌ ককা সেইবোৰ ক'ৰ পৰা আহিছে কোৱা আকৌ ? ককাকে হাঁহি মাৰি ক'লে অ' সেইবোৰ


(দহ পৃষ্ঠাত চাওক)

# ২০২১-২২ বিত্তীয় বৰ্ষত ৰাজ্য

আয়োগৰ অনুদান, কেন্দ্ৰীয় খণ্ডৰ আঁচনি আদিৰ বিপৰীতে অসমে লাভ কৰা পুঁজিৰ পৰিমাণ এই সময়ছোৱাত বৃদ্ধি হোৱা বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়া মতে, ২০১৫-১৬ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় কৰৰ অংশৰ পৰিমাণ আছিল ১৬, ৭৮৫ কোটি টকা। যিটো ২০২১-২২ বিত্তীয় বৰ্ষত ৯.৮ শতাংশ হাৰে ২৬, ৬৬৩ কোটি টকালৈ বৃদ্ধি হৈছে। তদুপৰি এই সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰে মুকলি কৰি দিয়া পুঁজিৰ পৰিমাণ বৃদ্ধি হৈছে ১১.৫ শতাংশ। মুখ্যমন্ত্ৰী ড° শৰ্মাই পুনৰ কয় যে ২০১৫-১৬ বিত্তীয় বৰ্ষত এক্সটাৰ্নেল এডেড প্ৰজেক্ট শিতানত অসমে ৪৫০ কোটি টকা লাভ কৰিছিল। কিন্তু এই সময়ছোৱাত গড়ে ২১.৩ শতাংশ হাৰত বৃদ্ধিৰে এই শিতানত ২০২১-২২ বিত্তীয় বৰ্ষত ৰাজ্যখনে ১, ৪২১ কোটি টকা লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্য চৰকাৰৰ নিজা কৰ আৰু অনাকৰ ৰাজহৰ পৰিমাণো ১৩.২ শতাংশ হাৰে বৃদ্ধি হৈছে। ব্যয় নিয়ন্ত্ৰণৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰি তেওঁ পুনৰ কয় যে বিজাৰ্ভ বেংকে আমাক ঋণ লোৱাৰ যি অধিকাৰ দিছিল, সেই সীমা আমি আতক্ৰম কৰা নাই । কেন্দ্ৰীয় কৰৰ প্ৰসংগ পুনৰ উল্লেখ কৰি তেওঁ প্ৰকাশ কৰা মতে, সাধাৰণতে কেন্দ্ৰীয় চৰকাৰে ১২টা কিস্তিত ১২ মাহৰ বাবে ৰাজ্য চৰকাৰক কেন্দ্ৰীয় কৰৰ অংশ মুকলি কৰি দিয়ে। কিন্তু এইবাৰ চাৰিটা কিস্তি বেছিকৈ দিছে। অৰ্থাৎ ১২ মাহতে অসমলৈ মুকলি কৰি দিয়া হৈছে ১৬ মাহৰ পাবলগীয়া কেন্দ্ৰীয় কৰৰ অংশ। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আমাৰ ৰাজ্যখন বানাক্ৰান্ত, উদ্যোগীকৰণ সীমিত। তদুপৰি আমি অতিৰিক্তভাৱে কোনো কৰ আৰোপ কৰা নাছিলোঁ। তাৰ পাছতো এটা বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে ব্যয় এক লাখ কোটি টকা স্পৰ্শ কৰাটো আশাৰ বতৰা। এইবাৰ আমাৰ লক্ষ্য হ'ব ১.৫০ লাখ কোটি টকাৰ।

# পৰীক্ষা পে চৰ্চাৰ

বিষয়টোৰ ওপৰত নিয়োগ হৈ থাকে, তেতিয়াহ'লে কোনোধৰণৰ পাৰ্থক্য নাথাকে। অফলাইন অথবা অনলাইন নহয়, ইনাৰ লাইনতহে গুৰুত্ব দিয়াৰ প্ৰয়োজন। তদুপৰি প্ৰযুক্তি অভিশাপ নহয় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰযুক্তিক আদৰণি জনাই তাক সক্ৰিয়ভাৱে ব্যৱহাৰ কৰাৰ বাবেও শিক্ষাৰ্থীসকলক পৰামৰ্শ দিয়ে । ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- বিদ্যালয় শিক্ষা বিভাগ আৰু শিক্ষকসকলক নতুন শিক্ষা নীতি, ২০২০ বলবৎ কৰিব লাগে। কিয়নো ইয়াৰ জৰিয়তে দেশৰ শিক্ষাৰ্থীসকল লাভান্বিত হ'ব। শিক্ষাৰ্থীৰ উপৰি পিতৃ-মাতৃ তথা অভিভাৱকৰ পৰামৰ্শ আগবঢ়াই প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আপোনালোকৰ আশা আৰু নিজৰ সপোন পূৰণ কৰিবলৈ নিজৰ সন্তানক বাধ্য নকৰাব। প্ৰত্যেকগৰাকী শিশুয়েই ব্যতিক্ৰম। প্ৰত্যেকগৰাকী শিশুৰে বিশেষ প্ৰতিভা আৰু ব্যক্তিগত ইচ্ছা আছে। গতিকে নিজৰ আশাক লৈ বেছি আশা নকৰিব। উল্লেখ্য যে বিগত ৪ বছৰ ধৰি পৰীক্ষা পে চৰ্চা কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগে আয়োজন কৰি আহিছে।

# মানৱ সেৱাত অবিৰত যাত্ৰা তোলাৰাম বাফ্না কৃত্ৰিম ভৰি ঃ কেলিপাৰ কেন্দ্ৰৰ

**গোপাল জালান**

মানৱ সেৱা কৰাটো সকলোৰে কৰ্তব্য। কেৱল ধৰ্মীয় দৃষ্টিকোণৰ পৰাই নহয়, মানৱীয় দিশৰ বাবেও এনে সেৱাত ব্ৰতী হোৱ উচিত। সকলোৱে কৰিব লাগে যদি বাস্তৱ জীৱনত কমসংখ্যকেহে এনে সেৱা আগবঢ়োৱা দেখা যায়। অৱশ্যে সেৱা যে কেৱল মানুহক দেখুৱাবলৈকে কৰিব লাগিব তেনে নহয়। বহুতো লোকে নিৰৱেই মানৱ সেৱাত ব্ৰতী হৈ থাকে। তেওঁলোকে অন্তৰৰ পৰাই মানৱ সেৱা আগবঢ়াবলৈ বিচাৰে। কাৰণ প্ৰকৃত মানৱ সেৱা বিষয়টো সদায় অন্তৰাত্মাৰ স'তেহে জড়িত। এনে সেৱাৰেহে মানৱ জাতি উপকৃত হ'ব পাৰে। বিগত তিনি দশক ধৰি এনে সেৱাৰ স'তে জড়িত হৈ থকা আমিনগাঁওস্থিত তোলাৰাম বাফ্না কৃত্ৰিম ভৰি আৰু কেলিপাৰ কেন্দ্ৰৰ জৰিয়তে সমাজকৰ্মী শুভকৰণ বাফনাই সেৱা আগবঢ়াই আহিছে। সমাজকৰ্মীজনৰ প্ৰয়াত পিতৃ তোলাৰাম বাফনাৰ স্মৃতিত প্ৰতিবছৰে দিব্যাংগক কৃত্ৰিম ভৰি প্ৰদান কৰিছে। ১৯৯১ চনৰ ২৮ মাৰ্চত প্ৰতিষ্ঠিত এই কেন্দ্ৰটোৱে ইতিমধ্যে ৮৯১৫ গৰাকী লোকক কৃত্ৰিম ভৰি সংযোজন কৰিছে। এজন ব্যক্তিৰ এনেধৰণৰ প্ৰচেষ্টাতে ইমানকেইজনে সহায় লাভ কৰাটো কম কথা নহয়। বহুতো লোকে বিভিন্ন কাৰণত ভৰি হেৰুৱাবলগীয়া হয়। কিছুমানৰ যদি দুৰ্ঘটনাত, আন কিছুমানে আকৌ ৰোগৰ বাবেও হেৰুৱায়। কাৰণ যিয়েই নহওক কিয়, ভৰি দুখন নাথাকিলে সকলো মিছা। কিয়নো, শৰীৰটোৰ সকলো ওজনৰ ভাৰসাম্য ৰক্ষা হয় ভৰি দুখনত। সেইবাবে যিসকল লোকে কৃত্ৰিম ভৰিৰ সহায়ক খোজ কাঢ়িবলৈ সক্ষম হৈছে তেওঁলোকে সহায় কৰোঁতাজনৰ ওচৰত চিৰঋণী।

১৯৯১ চনৰ ২৮ মাৰ্চত পিতৃৰ পুণ্য স্মৃতিত আমিনগাঁৱত আৰম্ভ কৰিছিল তোলাৰাম বাফনাৰ কৃত্ৰিম ভৰি আৰু কেলিবাৰ কেন্দ্ৰ। বিগত ত্ৰিছ বছৰে এই সেৱা আগবঢ়াই নিঃস্বজনৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হৈছে। শুভকৰণ বাফনাৰ পিতৃ তোলাৰাম বাফনাৰ ১৯৮৯ চনৰ ২২ ছেপ্টেম্বৰত মৃত্যু হৈছিল। মৃত্যুৰ পূৰ্বে তেওঁ পৰিয়ালবৰ্গক এনেদৰে কৈছিল- তুমি যদি আনৰ উপকাৰ কৰা, তোমাৰো উপকাৰ হ'ব। পিতৃৰ কথা মতেই পৰিয়ালটোৰ সদস্যসকলে সমাজ সেৱাত ব্ৰতী



হয়। পিতৃৰ মৃত্যুৰ সময়ত শুভকৰণ বাফনাৰ বয়স ৩৯ বছৰ হৈছিল। পিতৃৰ কথাষাৰ শুনাৰ পাছত মানৱ সেৱাৰ বাবে তেওঁ সংকল্প গ্ৰহণ কৰে। তেওঁ কেনেদৰে মানৱ সেৱা কৰিব সেই বিষয়ে চিন্তা-চৰ্চা কৰোঁতে মাৰোৱাৰী যুৱ মঞ্চ নামৰ সমাজসেৱী সংগঠন এটাই গুৱাহাটীত দিব্যাংগসকলৰ বাবে বিনামূলীয়াকৈ অত্যাধুনিক কৃত্ৰিম জয়পুৰী ভৰি সংযোজন কৰাই খোজকাঢ়ি আনন্দ লাভ কৰা দেখি বাফনায়ো এনে কাৰ্য সম্পাদন কৰিবলৈ মন মেলে। অসমীয়াত এযাৰ বাক্য আছে- মন কৰিলেই ছন। বাফনাৰ ক্ষেত্ৰতো একেই হ'ল। ২০১৫ চনত কেন্দ্ৰটোৰ ৰূপালী জয়ন্তী বৰ্ষ পালন কৰা অনুষ্ঠানত উপস্থিত থাকি ৰাজ্যপাল জানকী বল্লভ পাটনায়কে কৈছিল- এই কেন্দ্ৰটো হ'ল মানৱ সেৱাৰ প্ৰকৃত স্থান। উক্ত কেন্দ্ৰই ইতিমধ্যে নাগালেণ্ড, মণিপুৰ, মেঘালয়, ত্ৰিপুৰা, অৰুণাচল আদিৰ উপৰি চুবুৰীয়া দেশ নেপাল, ভূটাত, ম্যানমাৰৰ পৰাও দিব্যাংগ আহি ইয়াত কৃত্ৰিম ভৰি সংযোজন কৰে। ইমান মহৎ কাম এটা কৰি থকাৰ পাছতো তেওঁ প্ৰচাৰ মাধ্যমৰ পৰা সদায় আঁতৰি থাকে। মানুহক বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাটো মানৱ সেৱা। এই সেৱাৰ মনোভাব সকলোৰে নাথাকে। যিসকলৰ অন্তৰত প্ৰকৃত মানৱ সেৱা কৰাৰ ইচ্ছা থাকে তেওঁলোকে যিকোনো কামেই কৰিব পাৰে। বাফনায়ো সমাজৰ দিব্যাংগসকলক সহায় কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে, সেয়া সঁচাকৈয়ে প্ৰশংসাৰ যোগ্য। বাফনাৰ বাবে উপদেশততে আৰ্হিহে ভাল। এনে ব্যক্তিয়ে যেতিয়া কামৰ বাবে আগবাঢ়ে তেতিয়া সকলোৱে সহায়ৰ হাত আগবঢ়োৱা উচিত। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অতি কমসংখ্যক ব্যক্তি অথবা সংগঠন এনে কৃত্ৰিম ভৰি বিনামূলীয়াকৈ সংযোগ কৰা কাৰ্যত জড়িত হৈ আছে। এই সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। অহা ২৮ মাৰ্চত এই অনুষ্ঠানটোৱে ্ৰ বছৰত ভৰি দিব। ৰূপালী জয়ন্তী গৰকা এই অনুষ্ঠানটোৱে অনাগত দিনত আৰু অধিক আগবাঢ়ি যাওক। চৌদিশে পৰিসৰ বৃদ্ধিৰ লগতে স্বীকৃতিও লাভ কৰক। কাৰণ এনে অনুষ্ঠানৰ পৰিসৰ বৃদ্ধি হ'লেহে দিব্যাংগৰ ওঁঠত হাঁহি বিৰিঙি উঠিব। সেয়েহে হেলেন কেলাৰৰ কথাৰে ক'ব পাৰো- আমি সঁচা সুখ তেতিয়ালৈ লাভ কৰিব নোৱাৰো, যেতিয়ালৈ আমি অইন লোকৰ জীৱন সুখময় কৰাৰ যত্ন নকৰো।

# মই দ্বিতীয় পত্নী

**- অঞ্জুমণি শইকীয়া**
**যোৰহাট মালৌ-আলি (তিনি আলি)**

মোক বিয়া দিব নোৱাৰাৰ দুখ এটা লৈ মা - দেউতা চিৰদিনৰ কাৰণে অজান দেশলৈ গ'ল ।ইতিমধ্যে, বিয়াৰ বয়স পাৰ হৈ ককাইদেউ নবৌৰ বোজা হৈ থাকোঁতে এদিন বিবাহৰ প্ৰস্তাৱ আহিল । বিবাহ প্ৰাৰ্থীজন জী - জোঁৱাই, নাতি থকাৰ লগতে বিয়াৰ বয়স হৈ থকা একমাত্ৰ পুত্ৰৰ পিতৃ ।প্ৰথম পত্নীৰ মৃত্যু হৈছে। এদিন শুভ দিন বাৰ চাই জোৰণ পিন্ধি স্বামীৰ গৃহত ভৰি দিলো । (বিয়াত আগ ভাগ ল'লে স্বামীৰ জোঁৱায়েকে) লাহে লাহে বুজি পালো প্ৰথম পত্নীৰ পুত্ৰজনৰ কথাবোৰ অসংলগ্নৰ বিপৰীতে ছোৱালীজনী বহুত টেঙৰ ।বছৰ বাগৰাৰ পিছত মোৰ লগ এটা হওক বুলি সমন্ধীয় ভাগিন এজনী আনি ওচৰৰ এম ই স্কুলখনত নাম লগাই দিলো।



এদিন ভাগিনজনীয়ে মোক ক'লে যে মোৰ স্বামীয়ে তাইক ধেমালিৰ চলেৰে স্পৰ্শ(---) কৰে । মইও দুদিনমান দেখিলো।ইফালে তাই গাভৰু হওঁ হওঁ অৱস্থা। সকলো ভাবি চিন্তি তাইক ঘৰত থৈ আহিলো। লাহে লাহে কথাবোৰ মানুহৰ কাণ বাগৰিল। স্বামীয়েও মোৰ গাত হাত তুলিবলৈ ল'লে। ইয়াৰ মাজতে (প্ৰথম পত্নীৰ) জীয়েকে ককায়েকলৈ ছোৱালী এজনী আনি সংসাৰ পাতি দিয়াৰ লগতে মোক ঘৰৰ পৰা খেদিবলৈ বুজাই দিলে। ভনীয়েকৰ কথামতে সি মোৰ লগত কাৰণ নথকাকৈয়ে কাজিয়া কৰিবলৈ ল'লে । এদিন মোক মাৰিবলৈ খেদি গ'ল। ভয়ত মই দৌৰি ওচৰৰ মানুহ এঘৰত সোমালোগৈ। সুযোগ বুজি ককাইদেউৰ (নিজৰ) ঘৰলৈ গ'লো। দুয়োখন গাঁৱৰ ৰাইজ মিলি আলোচনা কৰি পত্নী হিচাপে পাবলগীয়া সম্পত্তিৰ ভাগ মোক দিলে। জীৱনৰ শেষ উশাহ লোৱালৈকে জন্ম হোৱা গাওঁখনত, চিনাকি মানুহৰ মাজত থাকিবলৈ সিদ্ধান্ত ল'লো।

# “হেঁপাহৰ ঘৰ”

**হিমাদ্ৰী বৰকটকী নগাঁও**



ৰাজু দৌৰি দৌৰি আহিছে বৰমা বৰমা চিঞৰি। দেউতাৰ কি হৈছে চাওঁকহিচোন বেগেতে। ৰাজু হ'ল জীৱন শৰ্মাৰ ঘৰত থকা বনকৰা ল'ৰা। মই লৰালৰিকৈ শৰ্মাৰ ঘৰলৈ গৈ দেখিলোঁ শৰ্মাৰ মাতবোল নাই। মই কি কৰোঁ কাক মাতো মূৰে কাম নকৰা হৈছে। শৰ্মানীয়ে শৰ্মাৰ কাষতে বহি কান্দি আছে। মই লৰালৰিকৈ ডক্টৰ বৰাক ফোন কৰিলোঁ। তেখেত আহিল লগে লগে। ডক্টৰে চাই ক'লে শৰ্মাৰ pressure strock হৈছে। আপোনালোকে শীঘ্ৰে চিকিৎসালয় লৈ লৈ যাওঁক। ডক্টৰ বৰাই নিজেই তেওঁৰ গাড়ীত উঠাই চিকিৎসালয় লৈ গ'ল শৰ্মাক। লগে লগে ICU ত ভৰ্তি কৰালে। ICU ত দুদিন থকাৰ পিছত তৃতীয় দিনা শৰ্মাৰ আৰু ইহ সংসাৰত নাই বুলি ডক্টৰে পৰিয়ালক জঁনালে। ল'ৰাটো বাহিৰত থাকে।

সি বাহিৰৰ ছোৱালী বিয়া পাতি

( নপৃষ্ঠাত চাওক)

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

# অসম লোকসেৱা অধিকাৰ
# সেৱাৰ নিশ্চিতি, জনতাৰ সবলীকৰণ

JANASANYOG- 05/2022

rtps.assam.gov.in



সহঁাৰি XOHARI

## উপলব্ধ সেৱাসমূহ
## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

- বিবাহ পঞ্জীয়ন
- সম্পত্তিৰ নথি-পত্ৰৰ পঞ্জীয়ন
- সম্পত্তিৰ মালিকীস্বত্বৰ পৰিৱৰ্তন
- ভূমি ৰেকৰ্ডৰ প্ৰামাণিক প্ৰতিলিপি
- নন-এনকম্ব্ৰেন্স প্ৰমাণপত্ৰ
- পঞ্জীভুক্ত বিক্ৰী দলিলৰ প্ৰামাণিক প্ৰতিলিপি
- পৰিৱৰ্তন ক্ৰমৰ প্ৰামাণিক প্ৰতিলিপি
- নিখুঁত বিভাজন
- ভূমিৰ পুনৰ শ্ৰেণী বিভাজনৰ বাবে এন অ' চি
- পুনৰ শ্ৰেণী বিভাজন তথা স্থানান্তৰৰ বাবে এন অ' চি
- স্থাৱৰ সম্পত্তি স্থানান্তৰৰ বাবে এন অ' চি

সবিশেষ জানিবলৈ/সহায়ৰ বাবে
এ আৰ টি পি এছ হেল্পলাইন নম্বৰ ১৮০০-৩৪৫-৩৫৭৪ ডায়েল কৰক

অসম লোকসেৱা অধিকাৰ আইন, ২০১২ (২০১৯ চনৰ সংশোধন অনুসৰি)

পঞ্জীয়ন কৰক : assam.mygov.in /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us /@diprassam https://dipr.assam.gov.in/

১৯ চ'ত, ১৪২৭ চন Rongili Barta, Date of Publication-- 3 April , 2022

# মোৰ মহাবীৰ

-নিতিষ্মান দাস, সপ্তম শ্ৰেণী



পিতৃ হৈছে মোৰ জীৱনৰ মহাবীৰ,
সহস্ৰ বিপদটো নহয় নতশিৰ।
ঈশ্বৰৰ তুমি মহান অৱতাৰ,
তুমি হৈছা মোৰ জীৱনৰ বিশেষ উপহাৰ।
হাজাৰ দুখ ভাগৰতো মাৰা তুমি হাঁহি,
যেন তুমি আহিছা জগত জিনি।
বন্ধু হৈছা তুমি মোৰ জীৱনৰ,
তাৰকা হৈছা তুমি মোৰ আকাশৰ।
মৰণৰ পাছতো মই তোমাৰেই সন্তান,
মই হৈছোঁ তোমাৰ ভৱিষ্যত আৰু মান।
তুমি হৈছা মোৰ জীৱনৰ বিশেষ ৰতন,
মাতৃৰ সম তুমিও, মোৰ কৰা যতন।
মোৰ জীৱনৰ তুমি ৰূপ আৰু সোণ,
দেখুৱাই থাকা তুমিয়েই ডাঙৰ সপোন।
তোমাৰেই ৰক্ত আছে মোৰ প্ৰাণত,
তোমাৰেই ছবি দেখোঁ মই প্ৰতিটো ক্ষণত।
নোহোৱা নতশিৰ, মোক দিবলৈ শিক্ষা,
মোৰ হিতৰ বাবে তুমি সদায়ে কৰা চেষ্টা।
তোমাৰ বাবে দেখোঁ মই প্ৰকাশ হেঙুলীয়া,
খেলিছিলোঁ তোমাৰ সৈতে মই হাতী আৰু ঘোঁৰা।
বীৰৰ দৰে তুমি হয় পৰাক্ৰমী,
মৰমেৰে তুমি মোক লোৱা সাৱটি।
শৰীৰত যেন আছে তোমাৰ অনন্ত সবলতা,
হেঙুলীয়া আভাৰে মোক দেখুৱা সফলতা।
তোমাৰ নাম উজ্জ্বলাবলৈ কৰিম চেষ্টা,
সচাঁকৈ তুমি এজন মহান যুদ্ধা।

# শাৰীৰিক আকৰ্ষণ

প্ৰতিনিয়ত বহু প্ৰেমিক যোগল তিৰস্কাৰ সন্মুখিন হয়। প্ৰকৃতাৰ্থত দৈহিক সম্পৰ্ক স্থাপন কেতিয়াও প্ৰেম হ'বই নোৱাৰে ই আমাৰ অৱচেতন মনৰ এক অৱদমনীয় আকৰ্ষণ হে মাথোঁ। যাক আমি ইচ্ছা কৰিলে বিবেকেৰে পৰাস্ত কৰিব পাৰো আৰু যদি তাৰ ওচৰত দুৰ্বল হওঁ তেন্তে আমি পৰাজয় স্বীকাৰ কৰোঁ।

আপুনি আপোনাৰ প্ৰেয়সীক বহুত ভাল পায়। বহুত মৰম কৰে। তেওঁৰ মৰমবোৰ তেওঁৰ অভিমানবোৰ আপুনি ভাগাই হ'ব চেষ্টা কৰে। তেওঁ আপোনাৰ ভালপোৱা।

তেওঁ সদায় কাষত থকাটো বিচাৰে। কিন্তু বৰ্তমান সময়ত প্ৰেমে বেলেগ এটা দিশে গতি কৰা দেখা গৈছে। প্ৰেমৰ পৰিণতি ভয়ংকৰ হৈ পৰিছে। প্ৰেম গতি পৰিছে শাৰীৰিক সম্পৰ্ক লৈ। ফলত এই সম্পৰ্কই মৃত্যুৰ পৰ্যায় পোৱা দেখিবলৈ পোৱা যায়।

প্ৰেম কৰক। প্ৰেমক সন্মান জনাওক। ভালপোৱাক স্বীকৃতি দিয়ক। শাৰীৰিক ভাৱে নহয় হৃদয়েৰে প্ৰেম কৰক। তেহে প্ৰেমৰ মৰ্যদা অক্ষুণ্ণ থাকিব। অন্যথা সমাজৰ এচাম লোকৰ চকুত প্ৰেম সদায় নিন্দনীয় হৈ থাকিব।

# জীৱন সংগ্ৰামৰ অকথিত কাহিনী

ফখৰুদ্দিন আহমেদ



এটি কাল্পনিক সপোনৰ পিছত দৌৰিয়েই মই ইং ১৯৮৮ চনত অসম হাই মাদ্ৰাছা পৰীক্ষা পাছ কৰাৰ পিছত বিজ্ঞান শাখাত দৰং জিলাৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নামভৰ্তি কৰিছিলো। পিছে উচ্চতৰ মাধ্যমিক পৰীক্ষাত ইং ১৯৯০ চনত উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছিলো যদিও ইতিমধ্যে নিজেই বুজি উঠিছিলো যে মই বিজ্ঞানৰ ছাত্ৰ হ'বৰ লায়েকৰ নহয়। প্ৰথম মোৰ ঘৰখনৰ আৰ্থিক দুৰবস্থা আৰু দ্বিতীয়তে মই ক'লা নাইবা বাণিজ্য শাখাৰ হে উপযুক্ত আছিলো। পৰীক্ষাৰ খবৰ ওলোৱাৰ পিছত সেয়ে কোনো ঘুৰাঘুৰি নকৰাকৈ ছিপাঝাৰ মহাবিদ্যালয়ত অসমীয়া বিষয়ক গুৰু পাঠ্যক্ৰম হিচাপে বাচনি কৰি ক'লা শাখাৰ স্নাতক শ্ৰেণীত নাম ভৰ্তি কৰিছিলো। ইতিমধ্যে সাহিত্য চৰ্চাৰ নামত সানোৱা হাই মাদ্ৰাছাত পঢ়ি থাকোতেই শ্ৰদ্ধাৰ শিক্ষাগুৰু খাইৰুল হুছেইনৰ তাগিদাত হাতত তুলি লোৱা কলমটিৰ অৰিহনাত ইং ১৯৯৩ চনত ছিপাঝাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ সাহিত্যিক হ'বলৈ সমৰ্থ হৈছিলো।

আৰম্ভ কৰিছিলো কঠোৰ জীৱন সংগ্ৰাম। সেইবোৰ দিনত আব্বাক আৰ্থিক ভাবে সকাহ দিবলৈ কোনো কাৰণতে যত্নৰ ত্ৰুটি কৰা নাছিলো। ঘৰুৱা শিক্ষকতাকে ভিতৰ কৰি।

ছুটিৰ পদত শিক্ষকতা কৰি পোৱা টকাৰ পৰা সাতশ টকা লৈ মঙ্গলদৈলৈ গৈছিলো এযোৰ ধুনীয়া পোছাক চিলাই ল'ম বুলি। সেয়া আছিল ইং ১৯৯৪ চনৰ আগষ্ট মাহ। পিছে মঙ্গলদৈৰ সেই সময়ৰ বিখ্যাত পাঞ্জাব টেইলৰ্ছলৈ পোন পোনে নগৈ পদাৰ্পণ কৰিলো জ্ঞানজ্যোতি বুক ষ্টলত। অসমীয়া বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ চিলেবাছ লগত পাঠ্যক্ৰমৰ প্ৰয়োজনীয় পাঠ্যপুথি আৰু প্ৰসংগ পুথি চাই মেলি কিনি লৈ ঘৰ পালোহি। সাম্প্ৰতিক সময়ত সেই মোৰ নতুন পোছাকৰ প্ৰতি হঠাৎ সৃষ্টি হোৱা বিৰাগটোৱেই মোক ব্যক্তিগত আৰু সামাজিক জীৱনত থিয় হোৱাত বৰকৈ সহায় কৰিছে। ইং ১৯৯৭চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত এম এ পাছ কৰাৰ পিছত মোক মুলধন হিছাপে লৈ শ্ৰদ্ধাৰ সানোৱাবাসী ৰাইজে উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীতকৰণ কৰা সানোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়খন বৰ্তমান সময়ত মোৰ কৰ্মক্ষেত্ৰৰ ঠিকনালৈ ৰূপান্তৰ হৈছে। উক্ত চনতেই মই চি আৰ পি এফ এচিষ্টেন্ট কামাণ্ডেন্ট পদবীৰ বাবে বাচনি পাইছিলো যদিও এই চাকৰিটোত অৱশেষত যোগদান নকৰাৰ সিদ্ধান্ত লৈছিলো।

ইং ২০০১ চনৰ ২৫ এপ্ৰিলত শুভ বিবাহ সম্পন্ন কৰাৰ পৰা ইং ২০০৬ বৰ্ষলৈ পৰিয়াল চাৰিটা হৈছিলো। আৰম্ভ হৈছিল আব্বা, আম্মা, ভাই আৰু ভনী সহ পৰিয়ালটিক আব্বাক মূল কৰি লৈ পৰিচালনা কৰাৰ মহা সংগ্ৰাম। সুদীৰ্ঘ বাইছ বছৰ অতিক্ৰমণৰ অন্তত ইং ২০২১ চনৰ ৩০ নৱেম্বৰ তাৰিখ অসমৰ মুঠ ৮৮ খন নতুনকৈ প্ৰাদেশীকৃত হোৱা বিদ্যালয়ৰ তালিকাত আমাৰ বিদ্যালয় খন অন্তৰ্ভুক্ত হোৱাত এটি ডাঙৰ দুচিন্তা দূৰ হ'ল যদিও মোক লৈ অযুত সপোন দেখা মৰমৰ আব্বাৰ ইং ২০২১ চনৰ ০৯ অক্টোবৰ তাৰিখে মৃত্যু হৈছিল। মোৰ সপোনটিয়ে বাস্তৱ ৰূপ

( নপৃষ্ঠাত চাওক)

# তেজত ইউৰিক এচিড বৃদ্ধি

বিভিন্ন প্ৰকাৰৰ ৰেড মীট, ছ্যাবিন, ৰেড ৱাইন, প্ৰচেছেড ছীজ, ৰাজমা, মাশ্বৰুম, মচুৰ দাইল, বিলাহী, পালেং, ফুলকবি ইত্যাদি সেৱনৰ ফলত তেজত যেতিয়া ইউৰিক এচিড আৰু ছ'ডিয়াম ইউৰেটছৰ মাত্ৰা বৃদ্ধি পায়, তেতিয়া ইউৰিক এচিডৰ ক্ৰিষ্টেলসমূহ গাঁঠিৰ খালী স্থানবোৰত জমা হ'বলৈ ধৰে। ইউৰিক এচিডৰ অত্যধিক বৃদ্ধিৰ ফলত গাঁঠিবোৰ ফুলি উঠে, গৰম হয়, জ্বলা-পোৰা হোৱাৰ লগতে বিষ হ'বলৈ লয়। ইউৰিক এচিড বৃদ্ধিৰ ফলত হোৱা গাউটৰ আৰম্ভণি মুখ্য ৰূপত সৰু গাঁঠিবোৰ বিশেষকৈ ভৰিৰ বুঢ়া আঙুলিত হয়। গাঁঠিৰ ভিতৰত থকা ছাইনভিয়েল ফ্লুইডত (Sinuvial fluid) ইউৰিক এচিডৰ ক্ৰিষ্টেলসমূহ জমা হোৱাৰ ফলত ফুলি উঠে। ভৰিৰ বুঢ়া আঙুলিৰ পৰা এই ৰোগ লাহে লাহে আঁঠু, কিলাকুটি, হাতৰ আঙুলি আদিত বিয়পি পৰে।

গাউটৰ ডায়েগন'ছিছ :

১) ব্লাড টেষ্টৰ জৰিয়তে তেজত ইউৰিক এচিডৰ পৰিমাণ জোখা হয়।

২) এক্স-ৰে

গাউটৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় :

১) অত্যধিক প্ৰ'টিনযুক্ত আহাৰ সেৱন নকৰিব।

২) সকলো ধৰণৰ তীক্ষ্ণ, মচলাযুক্ত, টেঙাজাতীয়, চৰ্বিযুক্ত খাদ্য পৰিহাৰ কৰক।

৩) ৰেড মীট, মদ, ধুমপানৰ পৰা বিৰত থাকক।

৪) অত্যধিক নিমখ নাখাব।

৫) গাখীৰ তথা গাখীৰৰ পৰা তৈয়াৰী খাদ্য যেনে-দৈ, পনীৰ ইত্যাদি বৰ্জন কৰক।

৬) ঠাণ্ডা পৰিৱেশৰ পৰা আঁতৰত থাকক।

৭) নহৰু, আদা, জিৰা, ধনিয়া, ছ'ফ, ইলাচি, দালচিনিৰ ব্যৱহাৰ কৰক।

৮) ওজন নিয়ন্ত্ৰণৰ বাবে সন্তুলিত আহাৰ গ্ৰহণ কৰাৰ লগতে ব্যায়াম কৰক।


আয়ুৰ্বেদত গাউটৰ চিকিৎসা :

আয়ুৰ্বেদত এই ৰোগৰ বাবে বিভিন্ন ঔষধৰ লগতে পঞ্চকৰ্মৰ চিকিৎসা উল্লেখ কৰা হৈছে। পঞ্চকৰ্মৰ জৰিয়তে শৰীৰৰ শুদ্ধিকৰণ কৰা হয়। গাউটৰ বাবে উল্লিখিত ঔষধিসমূহ হৈছে-কৈশোৰ গুগুলু, বাতৰক্তান্তক ৰস, গুড়ুচী সত্ব, মহাবাতবিধ্বংস ৰস, মঞ্জিষ্ঠাদি ক্বাথ, সাৰিবাদ্যাৰিষ্ট ইত্যাদি। ইয়াৰ উপৰি সৈন্ধাবাদি তেল, মহাবিষগৰ্ভ তেল ইত্যাদি আক্ৰান্ত স্থানত মালিচ কৰিবলৈ দিয়া হয়।

১৯ চ'ত, ১৪২৭ চন Rongili Barta, Date of Publication-- 3 Apri , 2022

# এক নতুন দিগন্ত

মন শৰ্মা, গুৱাহাটী, কামাখ্যা



তোমাক লগ পোৱাৰ শুভদিনত
মৃত প্ৰায় মন এটি দিছিলোঁ উপহাৰ
প্ৰথম চিনাকিত
বুজাইছিলা প্ৰেম কি
শিকাইছিলা
বিশ্বাসে ই যত মৰম ভালপোৱা
সপোন দেখিব কৈছিলা ঠিক কৰিবলৈ
সপোনবোৰেও হাত বাউলী মাতিছিল
নতুন দিগন্ত লৈ ধাবমান হ'বলৈ
বোৱাই দিছিলা সপোনৰ নৈ,
দিশহাৰা নাওঁ খনক
লক্ষ্য স্থানৰ গতি
আৰু, হেৰাই পোৱা সুখৰ অনুভূতি,
মাতাল বিভস্য ৰাতিবোৰ
আজি আৰু মাতাল নহয়
জোনাকী বোৰেও
মৃদু ছন্দত নাচিছে,
চোৱা চোন আকাশ খন
তৰাবোৰে কেনেকৈ তিৰবিৰাইছে
জোনবাই ও লুকা ভাকু খেলিছে
হয়টো সিহঁত বোৰে ও
আনন্দত আত্মহাৰা হৈছে,
সচাই দৃষ্টি আৰু মন সুন্দৰেই
সকলোবোৰ সুন্দৰ দেখাইছে চাগে,
আজি আগতকৈ
বেছি ধুনীয়া লাগিছে তোমাক
নহয় ও,
প্ৰতিটো বস্তু ধুনীয়া আৰু চচ্ছ দেখিছোঁ
ক'ব নোৱাৰা কৈ তোমাৰ প্ৰেমত পৰিছিলো
উমান নাপালোঁ কেতিয়া আঙুলিত ধৰি
চকুৰ কলা পৰা ৰেটিনা খন সলনি কৰিলা,

# "হেঁপাহৰ ঘৰ"

তাতেই থাকে। খবৰ দিছে কিন্তু কৰুণাৰ কাৰনে আহিবলৈ নিদিলে অসমলৈ। সকলো যাতায়তৰ ব্যৱস্থা বন্ধ কৰি থৈছে। এতিয়া সৎকাৰৰ কোনে কৰিব তাক লৈ চিন্তা হৈছে। ৰাজু আগবাঢ়ি আহিল আৰু শৰ্মানীক ক'লে ময়েই সৎকাৰ কৰিম বৰমা। শৰ্মানীৰ দুচকুৰে চকুলো বৰলৈ ধৰিলে। তাৰ মহানতা দেখি সকলো মানুহৰে চকু থৰ হৈ গ'ল। ৰাজুয়ে নিজৰ ল'ৰাৰ দৰে কামখিনি কৰিলে।

জীৱন শৰ্মা এজন চৰকাৰী চাকৰিয়াল আছিল । তেওঁ এখন চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰিছিল। তেখেতৰ পত্নী অঞ্জলি বৰ সাদৰি আৰু সৰবৰহী মহিলা । শৰ্মা ডাঙৰীয়াক তেওঁৰ হাঁহিমুখীয়া আৰু সততা গুনটোৰ বাবে বিদ্যালয়ত তেওঁক সকলোৰে ভাল পাইছিল। তেওঁৰ ল'ৰাই পঢ়ি শুনি কোম্পানীত চাকৰি কৰি বাহিৰতে থাকে। তেওঁলোক ক'বলৈ গ'লে দুয়ো অকলশৰীয়া। সেইকাৰণে নিজকে সামাজিক কামত ব্যস্ত কৰি ৰাখে আজিকালি সৰু পৰিয়ালত এনেকুৱাই হয়। ৰখীয়া হিচাপে এটা ল'ৰা আছে। তাৰ নাম ৰাজু। সি নিজৰ ল'ৰাৰ নিচিনা। সি শৰ্মা দম্পতীক নিজৰ মাক দেউতাকৰ নিচিনাকৈ চোৱা চিতা কৰে। তেওঁলোকেও তাক খুব মৰম কৰে।

জীৱন শৰ্মাই বহুত কষ্টৰে ঘৰটো সাজিছিল চাকৰিৰ সামান্য ধনকেইটাৰে। ঘৰটো বৰ আটোমটোকাৰিকৈ বনাইছে। লগতে ল'ৰাকো পঢ়াই শুনাই ডাঙৰ দীঘল কৰিলে। আজি তেওঁৰ হেঁপাহৰ ঘৰটোত থাকিবলৈ পত্নীৰ বাহিৰে কোনো নাই। যিগৰাকী পত্নীক তেওঁ কথা দিছিল সুখে-দুখে একেলগে থাকিম বুলি। আজি কিন্তু তেওঁ অকলশৰীয়া। তেওঁৰ অবৰ্তমানত তেওঁৰ স্মৃতিয়ে সজিব কৰি ৰাখিছে হেঁপাহৰ ঘৰখন।

# মোৰ কাৰণে যেন কোনেও দুখ নাপায়, কষ্ট নাপায়- এনেকৈ ভবা মানুহজন

অঞ্জু শাণ্ডিল্য, হাতীগাঁও



১৯৩২ চনৰ ২০ ফেব্ৰুৱাৰীত নগাঁৱৰ ফৌজদাৰীপট্টিৰ কীৰ্ত্তনঘৰ ৰোডত বিদুৰ কুমাৰ শইকীয়া ঘৰত অতি পৱিত্ৰ সন্তানৰ জন্ম হয়। নগাঁৱৰ মোক্তাৱ স্কুলত প্ৰাথমিক শিক্ষা লাভ কৰি নগাঁৱৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯৪৮ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত বিজ্ঞান শাখাত নামভৰ্তি কৰে। পদাৰ্থ বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰি, কলকাতাৰ প্ৰেচিডেন্সী কলেজৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লয়। ১৯৫৭ চনত শিৱসাগৰ কলেজত পদাৰ্থ বিজ্ঞানৰ অধ্যাপক ৰূপে কৰ্মজীৱন আৰম্ভ কৰে। তাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ ডেমনষ্টেটৰ ৰূপে কাম কৰে। অসম চৰকাৰে প্ৰদান কৰা জলপানি লৈ গৱেষণাৰ বাবে লণ্ডনলৈ যায়। দুবছৰ তিনিমাহ লণ্ডনত থকাৰ পাছত ১৯৬১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ প্ৰবক্তাৰূপে নিযুক্তি লাভ কৰে। এইজন প্ৰৱক্তাৰ তত্ত্বাৱধানত ১৯৬৪ চনত প্ৰথমবাৰৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ অনুষ্ঠিত হয়। ১৯৬৮-৭৮ চনলৈ প্ৰৱক্তা জনে গুৱাহাটী বিশ্ববিদ্যালয়ত আঞ্চলিক ভাষাত পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিবৰূপে কাৰ্য্যনিৰ্বাহ কৰে। ১৯৭৯ চনত ৰেলৱে চাৰ্ভিচ কমিছনৰ চেয়াৰমেনৰূপে যোগদান কৰে। ৰেল বিভাগত দুৰ্নীতি আৰু অসমীয়া লোকৰ নিযুক্তিৰ ক্ষেত্ৰত অনিয়ম তথা পক্ষপতিত্বমূলক আচৰণ দেখি প্ৰতিবাদ কৰিছিল আৰু নিযুক্তি প্ৰক্ৰিয়াৰ আসোঁৱাহ আৰু দুৰ্নীতিৰোধ কৰিবলৈ চেষ্টা কৰিছিল কিন্তু মানুহজনক চাকৰিৰ পৰা অব্যাহতি দিয়াত সেই চেষ্টা সফল নহ'ল। ১৯৮৬ৰ পৰা ১৯৮৯ চনলৈকে 'জ্যোতি চিত্ৰবন'ৰ সভাপতিৰূপে এই অনুষ্ঠানটোৰ উন্নয়নৰ বাবে কাম কৰিছিল। 'শ্ৰী মন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ'ৰ উপ-

(দহ পৃষ্ঠাত চাওক)

# জীৱন সংগ্ৰামৰ

পোৱাৰ প্ৰাক্ মুহূৰ্তত সপোন দেখা গৰাকী জন গুছি গৈছিল নেদেখা, নুশুনা অজান দেশলৈ। মৰ্মাহত হোৱা স্বাভাবিক বুলি ধৰি ল'লেও আব্বাৰ জীৱিত কালৰ কাৰ্য-কলাপে আমাক কাম কৰি খোৱাৰ ওপৰত বিশ্বাস জন্মাবলৈ সমৰ্থ হৈছিল তেখেতে। এয়াই আছিল আমাৰ আব্বাৰ জীৱনৰ কীৰ্তি স্তম্ভ স্বৰূপ। জীৱনৰ বিগত ২২ টা বছৰত বহুতো কামেই কৰিব লগা হৈছিল। বিশেষকৈ ইং ২০১৮ চনৰ অক্টোবৰ মাহৰ পৰা আৰম্ভ হোৱা শোচনীয় আৰ্থিক অনাটনৰ জোৱা মাৰিবলৈ মই গুৱাহাটীত চুইগী আৰু উবেৰত ফুড্ ডেলিভাৰিও কৰিছিলো। সেই সময়ত মই অসমৰ এটি সুবিখ্যাত শিক্ষা প্ৰতিষ্ঠান নেৰিমৰ অধীনস্থ জুৰোড তিনালিৰ নবীন নগৰত অৱস্থিত ডঃ অনিতা বৰুৱা শৰ্মা কলেজ অব্ ইডুকেশ্বনত সহকাৰী অধ্যাপক (অংশকালীন) হিচাপেও সেৱা আগবঢ়াই আছিলো। শ্ৰেণীত পাঠদান কৰি বাকী সময়খিনিত ফুড্ ডেলিভাৰী কৰিছিলো গুৱাহাটীৰ গনেশগুৰি অঞ্চলত। এদিন ৰাতি প্ৰায় ৭-৩০ বজাত নিৰ্দিষ্ট অট্টালিকাটোত গৈ কলিং বেল বজাই দিওতে এজনী ছোৱালী ওলাই আহিছিল। মই তেওঁৰ মুখৰ ফালে চোৱা নাছিলো। কিছু সময়ৰ পিছত অতি উৎকণ্ঠাৰে ছোৱালীজনীয়ে মোক "চাৰ, আপুনি?" বুলি মাত দিওতেহে মোৰ সম্বিত ঘুৰি আহিছিল। কি অনন্য লগতে মাদকতা ভৰা অভিজ্ঞতা। বুজি উঠিছিলো বাস্তৱ বৰ নিৰ্দয় হৈ পৰে কেতিয়াবা। মোৰ ক্ষেত্ৰত হৈছিল। চৰকাৰী চাকৰিৰ কাৰণে বহুতো ইন্টাৰভিউটো অৱতীৰ্ণ হৈছিলো। এনে সকলো ইন্টাৰভিউটে মৌখিক সাক্ষাৎকাৰৰ বাবে বাচনিত উঠিছিলো। তেতিয়াৰ দিনত মৌখিক সাক্ষাৎকাৰৰ অন্তত চাকৰিৰ বাবে নিৰ্বাচিত হ'বলৈ প্ৰয়োজন আছিল লাখ লাখ টকাৰ। এই অৰ্হতা মোৰ পৰিয়ালৰ নাছিল। সেয়ে নব উন্নীত সানোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ইং ১৯৯৮ চনত সম্পূৰ্ণ বেচৰকাৰী ভাবে পৰিচালনা সমিতিয়ে নিযুক্তি দিয়াৰ পিছত মই চৰকাৰী চাকৰিৰ বাবে আবেদন কৰাৰ পৰা বিৰত থাকি শিক্ষানুষ্ঠান খনিৰ সেৱাত নিজকে নিবিষ্ট কৰিছিলো। প্ৰতিষ্ঠাৰ দুই দশক পিছত হ'লেও শিক্ষানুষ্ঠান খনি প্ৰাদেশীকিকৰণ হোৱাত ৰাইজৰ উদ্দেশ্য পুৰণ হোৱাত নথৈ আনন্দিত হৈছো। সক্ৰিয় ভাবে ৰাজনীতিও কৰিছিলো সাংগঠনিক দিশত কিন্তু হাতযোৰ কৰি ভোট ভিক্ষা কৰা ৰাজনীতিৰে তথাকথিত নেতা হোৱাৰ কোনো ইচ্ছা তেতিয়াও নাছিল আৰু এতিয়াও নাই। সমাজত থাকিলে আপোনা আপুনি শত্ৰুৰো সৃষ্টি হয়। মোৰ জীৱনতো এনে বহুতো ঘটনা সংঘটিত হৈ গৈছে। সম্পুৰ্ন নিৰপৰাধী হোৱাৰ পিছতো এচাম সমাজৰ দালালে কৰা বিচাৰ প্ৰক্ৰিয়াত মই মাফ বিচাৰিও পাইছো। বিশেষকৈ অসমৰ গাঁৱলীয়া সমাজ জীৱনত এইচাম কেঞ্চাৰ বীজাণু সদৃশ ব্যক্তিৰ ৰাজনীতি আৰু মেল্কী পাকে সদায় নেতিবাচক প্ৰভাৱ পেলাই আহিছে।তথাপিও ভৱিৰ বুঢ়া আঙুলি দুটাত ভৰ দি থিয় হৈ চাবলৈ এই তিতা-কেহা অভিজ্ঞ তাবোৰেই মোক উৎসাহিত কৰি আহিছে। আব্বাৰ অবৰ্তমানত মই এতিয়া আব্বাক অনুসৰণ কৰিবলৈ যত্ন কৰি আগবাঢ়ি আছো।কাৰণ হাজাৰ ধুমুহাটো তেখেতে নিজৰ লক্ষ্য আৰু উদ্দেশ্যৰ পৰা তিলমানো বিচলিত হোৱাৰ নজিৰ কোনেও দেখুৱাই দিব নোৱাৰে। জীৱন মানেই কৰ্ম, কৰ্মই হৈ প্ৰকৃত ধৰ্ম। মানৱতাবোধৰ প্ৰমূল্যক মহীয়ান কৰাৰ অনাবিল সৌন্দৰ্যই হৈছে জীৱনৰ কৰ্মৰ খতিয়ান।

# গতিশীল ব'হাগ

**লক্ষী প্ৰসাদ ৰেগন**



ব'হাগলৈনো আৰু কিমান বাট
এহাল ডাউকক সুধিলোঁ। পুৰাই আহিছিল।
উত্তৰ নাহিল
আচলতে আজিকালি যি টি প্ৰশ্নৰ উত্তৰ পোৱাতো
ইমান সহজ নহয়
যি দেখিছোঁ মদৰজোপাই আশা এৰি দিয়া নাই
মইনো ব'হাগৰ কথা ভাবি কিয় মিছাতে মন বেয়া কৰিব লাগে
অহাতো আহিবই
ব'হাগ এদিন সঁচাকৈ আহিল
গমকে নাপালো মই। গাঁৱৰ ডেকাবোৰো নাই
আজিৰ ব'হাগ
অলপ হ'লেও সুকীয়া। কাৰণ সময় গতিশীল
ব'হাগ গতিশীল

# আই মোৰ মৰমৰ আই মোৰ চেনেহৰ

**স্বাগতা বৰুৱা গোস্বামী**



আই আজি তোলৈ বৰকৈ মনত পৰিছে..
কি কৰিম যাওঁ বুলিলেই যে যাব নোৱাৰো..
আজি তোৰ জন্মদিন
কিনো দিম তোক
কিহেৰে পুজিম তোক
তোৰ ত্যাগৰ বিনিময়
মোৰ জীৱন দিও তোৰ ধাৰ শুজিব নোৱাৰো
আই তোৰ শেতেলি কোলাত
পাওঁ যেন মই জীৱনী শক্তি
তোৰ মৰমৰ আবদাৰত
হ'লো মই ইমান জনী
কেতিয়াবা নিজানত অকলশৰে স্মৃতিৰ মনিকোঠাত প্ৰবেশ কৰো
চাৰিওফালে দেখো মাথো সজীৱতা
তোৰ দুখত দুখী হৈছিলোঁ
মোৰ পৰা কষ্ট পাবি বুলি সদায় সচেতন আছিলোঁ
তোৰ কথামতেই সকলোকে আপোন কৰি পেলাইছোঁ
আই আজি তোলৈ বৰকৈ মনত পৰিছে
আজি যে তোৰ জন্মদিন
শেষত তোক জন্মদিনৰ হিঁয়াভৰা শুভেচ্ছা জনালো
আই তই কুশলে থাক
তাকেই নেদেখা জনৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ

# ভেকুলী

-সিহঁতি গান গাইছে আৰু লগতে সেইবোৰ সিহঁতৰ বাদ্যযন্ত্ৰৰ শব্দ। হয় নেকি ককা! আমাৰ তাত আকৌ এইবোৰ শুনিবলৈ পোৱা নাযায়। ঠিৰ আছে বাৰু নিকি, মই তোমালোকক কালিলৈ বুজাই কম বাৰু। আজি ইমান কষ্ট কৰি আহিছা ভাত খাই শুই থাকাগৈ। অ' ককা মোৰ যে বৰ টোপনি ধৰিছে কালিলৈ কিন্তু ক'বই লাগিব দেই। পিছদিনা নিকিয়ে নিধিক লৈ ককাকৰ ওচৰ পালেগৈ আৰু কালিৰ শব্দবোৰৰ কথাবোৰ ক'বলৈ ক'লে। তাকে শুনি ককাকে দুই নাতিক লৈ চোতালৰ মূৰত থকা পুখুৰীৰ পাৰ পালেগৈ। পুখুৰীৰ পানীত বাঁহ পাতৰ দুয়োকাষে ক'লা ক'লা প্ৰাণীটো কি চিনি পাইছা নে বুলি নিকিক সুধিলে। কিন্তু নিকিয়েহে সেইবোৰ কি বুলি ককাকহে ওলোটাই প্ৰশ্ন কৰিলে। নিধিয়ে তপৰাই উত্তৰ দিলে সেইবোৰ আকৌ লালুকী। ককাকে সুধিলে নিকি তুমি কোতিয়াবা ভেকুলী দেখিছানে ? নাই ককা মই কিতাপতহে দেখিছো। অ--- অ হয় নেকি ? তেন্তে এতিয়া গৈ তুমি ভঁড়ালৰ তলত বা ঢেঁকী ঘৰৰ চুকত থকা ভেকুলীটো নিজে চাই ল'বা দেই। এতিয়া শুনা তোমালোকে যে কিতাপত দেখিছা বা পাইছা এই ভেকুলীক বেং নামেৰেও জনা যায়। ইহঁত মাটি - পানী দুয়োটাতে থাকে বাবে ইহঁতক উভচৰ প্ৰাণী বোলে। ভেকুলীয়ে পানীত কণী পাৰে আৰু এই কণী ফুটি যি পোৱালি ওলায় তাকে লালুকী বোলা হয়। লালুকী কেৱল পানীতহে থাকে। ইয়াৰ আকৃতি মাছৰ নিচিনা আৰু ইয়াৰ এডাল নেজ থাকে। ঠেং গজাৰ পিছত নেজডাল সৰি গৈ বামলৈ উঠি আহে। তেতিয়া ই ভেকুলী নামেৰে পৰিচিত হৈ পৰে। এই ভেকুলীবোৰেই বাৰিষা মাতে। যাক আমি টোৰ টোৰোৱা বুলি কওঁ। কালি ৰাতি তুমি যি শব্দ শুনিছিলা সি এই ভেকুলী আৰু জিলিৰ মাতৰ সংমিশ্ৰণ। এতিয়া বুজিলানে কালিৰ শব্দবোৰ কিহৰ আছিল। শুনা এই ভেকুলীবোৰৰ নানা জাতৰ আছে। সেইবোৰৰ বিষয়ে থূলমূলকৈ কৈ থওঁ বাৰু।

১) বামুণ ভেকোলা : ই পানীত থাকে আকাৰত যথেষ্ট ডাঙৰ আৰু গাত এডাল বগা আঁচ থাকে।

২) চুক ভেকুলী : ই ঘৰৰ চুকত সোমাই থাকে। ইয়াৰ গাত কিছুমান বগা আঠাৰে ভৰা খহু থাকে।

৩)পাত বেং : এই বিধ বেং গছৰ ওপৰত থাকে আৰু ইহঁতৰ ৰং সেউজীয়া। ইহঁতৰ ঠেংবৰ দীঘল।

৪) মোনা বেং : ইহঁতৰ মাইকী বেঙৰ পিঠিত বহুতো মোনা থাকে। য'ত কণীবোৰ লৈ ফুৰে পোৱালি নোলোৱালৈকে।

৫) উৰণীয়া বেং : ইহঁতৰ আঙুলিবোৰ লগ লাগি এখন পাখিৰ দৰে হয় বাবে উৰি যাব পাৰে।

৬) ৰজা বেং : ই বৰ ডাঙৰ। ইয়াৰ পিঠিত এটা ডাঙৰ কুঁজ থাকে আৰু মুখখনো দীঘল।

৭) ৰং চঙীয়া বেং : ই পৰ্বতত থাকে আৰু গাটো নানা বৰণীয়া।

ভেকুলীয়ে পোক - পৰুৱা - মাখি আদি খায়। ইহঁতৰ জিভাখনৰ ভিতৰ ফালটোহে মুকলি। খাদ্যবস্তু দেখিলে জিভাখন আগলৈ বাহিৰলৈ মাৰি পঠিয়াই আৰু তাত থকা আঠাত খাদ্যবস্তুবোৰ লাগি ধৰে। এনেদৰেই ইহঁতি আহাৰ খায়। ইয়াৰোপৰি ভেকুলীক লৈ এনে কিছুমান লোক বিশ্বাস আছে যে যিবোৰ এতিয়াও সমাজত চলি আছে। তাৰে ভিতৰত ভেকুলীৰ বিয়া। লোক বিশ্বাস মতে আহাৰ - শাওণ মহীয়া খৰাং বতৰত খেতি কৰিব নোৱোৰা হোৱাত সামাজিক নীতি নিয়ম মানি ভেকুলীৰ বিয়া পতা হয়। লোক বিশ্বাস অনুসৰি এনে কৰিলে খৰাং আঁতৰি বৰষুণ আহে। আজি ভেকুলীৰ বিষয়ে বহুতো কথাই ক'লো এতিয়া ব'লা পুৱাৰ আহাৰ খাওঁগৈ।

# মোৰ কাৰণে যেন কোনেও

সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি এই কলাক্ষেত্ৰৰ নিৰ্মাণৰ আঁচনি-পৰিকল্পনাত সহযোগ কৰিছিল আৰু বাস্তৱত ৰূপায়ণ কৰাত দেহে কেহে খাটিছিল। এইজন মানুহে ইমান কৰ্মব্যস্ততাৰ মাজতো সাহিত্য চৰ্চা কৰি উজ্বলি উঠিছিল। অসমীয়া সাহিত্যলৈ আগবঢ়োৱা আপুৰুগীয়া অৱদানৰ বাবে ১৯৯০ চনত 'অসম উপত্যকা সাহিত্য বঁটা' লাভ কৰে আৰু এই বঁটাৰ এক লাখ টকা 'আৰোহণ' নামৰ শিশু অনুষ্ঠানলৈ আগবঢ়ায়। সমাজৰ দুৰ্দশাগ্ৰস্ত উপেক্ষিত, অনাথ শিশুসকলৰ সাহাযাৰ্থে এই টকা আগবঢ়ায়। 'আৰোহণ'- শিশুৰ সৰ্বাংগীন বিকাশ আৰু প্ৰগতিৰ বাবে গুৱাহাটীৰ বেলতলাত মানুহজনে যি অনুষ্ঠান গঢ়ি তুলিলে, সেই 'আৰোহণ' মানুহজনৰ এক উল্লেখনীয় কীৰ্তিস্তম্ভ। মানুহজন আন কোনো নহয়, ড° ভবেন্দ্ৰ নাথ শইকীয়া। ড° ভবেন্দ্ৰ নাথ শইকীয়া বুলি কলেই দুখন আলোচনীৰ কথা মনলৈ আহে - 'প্ৰান্তিক' আৰু শিশু আলোচনী 'সঁফুৰা'। দুয়োখনেই আজিও জনপ্ৰিয়তা বৰ্তাই ৰাখিছে। গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ, চলচ্চিত্ৰ পৰিচালক, শিশু-সাহিত্যিক আৰু অনাতাঁৰ, ভ্ৰাম্যমাণ নাট্যকাৰো পৰিচালকৰূপে খ্যাতি লাভ কৰে। ২০০৩ চনৰ ১৩আগষ্টত শইকীয়াদেৱৰ মৃত্যু ঘটে। অসমে এজন সৎ, নিষ্ঠাবান সাহিত্যিক, সাংস্কৃতিক কৰ্মীক হেৰুৱালে। 'সান্ধ্যভ্ৰমন', 'সেন্দুৰ', 'উপকণ্ঠ', 'গহ্বৰ', এই বছৰৰ আবেলি, 'শৃংখল', 'তৰংগ', 'প্ৰহৰী' আদি গল্প সংকলন, 'অন্তৰীপ', 'আতংকৰ শেষত', 'ৰম্যভূমি' আদি উপন্যাস, 'জীৱন বৃত্ত' (আত্মজীৱনী), 'জীৱন ৰেখা' (নিৰ্বাচিত দিনলিপি), 'ছয় দশকৰ গদ্য', 'সম্পাদকৰ কোঠালিত' আদি ৰচনা কৰাৰ উপৰিও ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে ২৬খন নাটক ৰচনা কৰে। কেবাখনো ছবি পৰিচালনা কৰে- 'ইতিহাস', 'সন্ধ্যাৰাগ', 'আৰ্বতন', 'অনিৰ্বান', 'সাৰথি', 'অগ্নিস্নান','কোলাহল' আদি। 'অনিৰ্বান' ৰ বাহিৰে আটাইকেইখন ছবিয়ে ভাৰতৰ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ 'ভাৰতীয় পেনোৰামা' শিতানত অন্তৰ্ভুক্ত হৈছিল। আৰু কেবাখনো ছবিয়ে ৰজত কমল বঁটা লাভ কৰে। সাহিত্যিকৰূপেও কেবাটাও বঁটা লাভ কৰে- 'সাহিত্য অকাডেমি বঁটা'('শৃংখল'ৰ বাবে ১৯৭৬চন), অসম প্ৰকাশন পৰিষদ'ৰ বঁটা ('সেন্দুৰ'ৰ বাবে ১৯৭৩ চন), 'অসম উপত্যকা সাহিত্য বঁটা'(১৯৯০চন), 'শ্ৰীমন্ত শংকৰদেৱ বঁটা' (১৯৯৮চন),' পদ্মশ্ৰী' সন্মান(২০০১চন), সংস্কৃতি শিতানত 'কমল কুমাৰ ৰাষ্ট্ৰীয় বঁটা'(২০০০চন) আদি।

নিকা ভাৱমূৰ্ত্তিৰে সমাজত এখন বিশিষ্ট আসন দখল কৰা শইকীয়াদেৱে দুৰ্নীতি অনিয়মৰ সৈতে আপোচ নকৰিলে। নিজেও কৈ গৈছে- "----হাজাৰ প্ৰলোভনৰ মাজতো দুৰ্নীতিৰ পৰা মুক্ত হৈ থকাটো সম্ভৱ আৰু দুৰ্নীতিমুক্ত দৰিদ্ৰ হৈ থকাত এক অনিৰ্বচনীয় আনন্দ আছে। মই কাৰো উপকাৰ নকৰিব পাৰোঁ, যদি পাৰিলোঁ কাৰোবাৰ উপকাৰ কৰিলোঁ, যদি নোৱাৰিলোঁ নকৰিলোঁ। কিন্তু মই যেন কাৰো অপকাৰ নকৰোঁ। মোৰ কাৰণে যেন কোনেও দুখ নাপায়, কষ্ট নাপায়।" (জীৱনে মোক কি শিকালে'ৰ পৰা)

ড°ভূপেন হাজৰিকাই কৈ গৈছে- আচলতে কৰা আৰু কামৰ মাজত তিলমাত্ৰও প্ৰভেদ নাছিল। দায়িত্ববোধ আৰু সূক্ষ্মাতিসূখ বিবেচনা বিচাৰ ভবেনৰ সহচৰ। নতুন প্ৰজন্মৰ প্ৰেৰণা।

নৱম শ্ৰেণীত পঢ়ি থাকোঁতেই স্কুলৰ আলোচনী 'উদয়'ত প্ৰথম লেখা।

তাৰ পাছৰ পৰা অৰ্ধশতিকাতজুৰি গল্প লিখি গ'ল। কবিতাও লিখিছিল।'পদ্যৰ ধেমালি' শীৰ্ষক পুথিখনে কবিৰূপেও জনপ্ৰিয় কৰিলে। একেজন ব্যক্তিৰ মাজত ইমানবোৰ প্ৰতিভা! সাধাৰণতে বিৰল।

# ENGLISH NEWS SECTION

## Governor addresses 1st convocation of Assam Royal Global University




**Guwahati, RB News:** Assam governor Prof. Jagdish Mukhi said that the institutions of higher education must forge partnership with industry and other external institutions to promote the culture of entrepreneurship among students and researchers. Speaking at the first convocation of Assam Royal Global University who is the visitor of the university here today, Governor Prof. Mukhi said that partnership with the industries would help the students and researchers to empower themselves in line with the latest requirement of the industry and make them professionally compatible. He also said, “A convocation is a culmination of a journey as well as a moment of accomplishment for a university, its students, professors and teachers, administrators, parent body and others who are part of the university community. It is also an occasion for you to introspect and ponder over the value of such degrees and diplomas for addressing the challenges of the outside world”. The Governor said that India has made impressive gains in widening the higher education ecosystem. The very fact that many new institutions, including Central Universities, IITs and IIMs are being established in underserved locations, illustrates the commitment of the country to taking higher education to the masses. He also said that expanding quantity has to be complemented by quality. This is where the greatest challenge exists. As technology advances and societies grapple with the implications of the fourth industrial revolution, higher education has to adapt to new expectations. It has to be sensitive to inter-disciplinary and cross-disciplinary pathways without losing sight of the core of disciplinary knowledge. The Governor also stressed upon resources and its mobilisation. He said that while there is tremendous thrust on the growing need of institutions of higher education, one must be alive to fiscal constraints. He urged upon the educational institutions for partnerships with industry and other external institutions to promote a culture of entrepreneurship among students and researchers. Appreciating the efforts of Assam Royal Global University, the Governor said that the University has been striving to impart holistic education to the students. The University has created a conducive learning environment where students from across North-Eastern India are receiving all-inclusive education where the focus of higher education is on research and development, multidisciplinary pedagogy along with a compulsory course on behavioural science for all students. The Governor congratulated the students and advised them to continue the path of knowledge and contribute selflessly to the progress of the nation as a whole. He also urged upon them to stretch a helping hand to others who are less fortunate than them. It may be noted that the convocation conferred degrees to a total number of 1723 students. This includes 61 gold medals, 51 silver medals, 5 Chancellor’s gold medals and 6 Salvers. Vice Chancellor, Delhi University Prof. Yogesh Singh, Chancellor, The Assam Royal Global University Dr. A K Pansari, Vice-Chancellor Prof. S. P. Singh, Chief Advisor Prof. M.K.Chaudhuri, Chairperson Academic Prof. Alak Kumar Buragohain, Members of Gyan Sagar Foundation, Members of the Governing Body, Board of Management and the Academic Council of the University, faculty members, students and other dignitaries were present in the convocation.

## Signing of Petroleum Mining Lease Deed Between Oil India Ltd. and Governmentof Assam



**Guwahati, RB News:** Govt. of Assam has signed eight(8) Petroleum Mining Lease blocks with Oil India Ltd in the presence of Sri Jogen Mohan, Honb’le Minister , Mines and Minerals Deptt.and others , Govt. of Assam, Dr.K.K.Dwivedi.IAS, Principal Secretary, Mines and Minerals Deptt. and Mrs.Nandita Dutta, IAS,Secretary to Mines and Minerals , Deptt..Sri Prasanta Borkakoty, RCE of Oil India Ltd. at the conference Hall of Honb’le minister’s office at Dispur amidst a gathering of distinguished officials from State government & Oil India Limited on 29th March, 2022. Shri Ananda Kr. Das, ACS, Joint Secretary & Director (Geology & Mining), Government of Assam & Shri Agadh Medhi, Executive Director (Frontier Basin), OIL, signed the deed on behalf of Govt.of Assam and Oil India Ltd. The 8 PML blocks blocks are Dibrugarh, Dibrugarh Extn, Hugrijan Extn, Borhapjan, Borhat ,Moran,Dumduma Extn and Mechaki Extn . Assam Government is expected to receive more than 2000 crores of rupees from Oil India Limited annually. Shri Jogen Mohan, Honb’le Minister, has assured that Assam Govt. would provide all possible support to OIL in its quest of hydrocarbon He requested OIL to enhance the employment generation to the local people. He emphases the need of nations self-reliance in energy and economic growth of the country. Sri Prasanta Borkakoty, RCE of OIL expressed his sincere gratitude to the hon’ble minister, Senior Officers from state government for their august presence and assurance on support towards facilitation of E&P activity of OIL, they shall make sincere efforts to achieve higher level of excellence through concerted efforts & effective participation with all its stakeholders. He informed about OIL plan to ramp up crude oil and gas productions by enhancing its exploration and development program.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025

১৯ চ'ত, ১৪২৭ চন Rongili Barta, Date of Publication-- 3 Apri , 2022

## Cutie of the Week



**Sakira Jannat Choudhury**

## স্বপ্নাতুৰ নিশাৰ স'তে কথোপকথন



**পুলিন ডেকা**

এটা স্বপ্নাতুৰ নিশাৰ স'তে কথোপকথন
আচলত তিৰবিৰাই থকা জোনাকী পোহৰৰ ছাঁত
লুকাই ৰাখিছো এমুঠি সপ্তৰ্ষি সুবাস
জন্ম কাহিনী সুধি বিব্ৰত কৰা বতাহ জাকত
টোপে টোপে সৰিছে এলান্ধু বৰ্ণৰ শিহৰণ
পিতৃ পৰিচয় সোধাৰ দিনাৰে পৰা কিনো হ'ল
এন্ধাৰ ভালপাওঁ, বোকোচাত তুলি দিওঁ
মাৰ সেউজ চাৱনিৰ কিছু অনুভৱ
যোগ-বিয়োগ, পূৰ্ণ-হৰণ সকলোবোৰে কৰিলোঁ
কিন্তু বিভাজ্য কৰিব পৰা পৰিচয়হীনতাৰ
যোগসূত্ৰত দুলি থকা সমীকৰণ
এন্ধাৰ কিয় ভালপাওঁ?
যি এন্ধাৰ লৈয়ে পৃথিৱীক আপোন কৰি শৈশৱ গঢ়িছো
বিচ্ছিন্ন সোঁতত তাক তিয়াব পৰা নাই
আলফুলীয়া হাতত অনন্ত শয্যাৰ দৰে শুই থাকে
তমসা বিন্দু, নিৰন্তৰ অভিলাষী বাসনাৰ কিছু অনুৰাগ
স্বপ্নাতুৰ নিশাৰ বাক্যালাপত সকলোৰে চকুত
তলমলাই আছিল এন্ধাৰ ভালপোৱা কিছু গানৰ কলি
প্ৰতিজনেই এন্ধাৰ ভালপায়, সৃষ্টিৰ আদিম পুৰাক জগাবলে
প্ৰতিজনেই এন্ধাৰৰ গোপনীয়তাৰ যেন এক ধাৱমান সূত্ৰ
পোহৰৰ প্ৰতিপলত সিঁচি যায় অদম্য লিপ্সাৰ
একো একোটা তমসা ঘাট
পলসত বৈ যোৱা এটা আদিম স্মৃতি
ক'ত স্বপ্নাতুৰ সন্ধ্যাৰ স'তে কথা পাতিছো
উদ্যানৰ আঁৰ-বেৰত উত্তপ্ত কৰিছোঁ
এন্ধাৰৰ সেউজ দুবৰি
এন্ধাৰ কিয় ভালপাওঁ- একেই প্ৰশ্ন
সেই স্বপ্নাতুৰ নিশাৰ গভীৰতাত।

## Photography of the Week



**Anita Bora**

## Art of the Week



**Tanaya Tamuli**

**Beauty of the Week** **Art of the Week**
আৰু · **Photography of the Week** লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286